সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ১৩ সংখ্যা, ১৭ চ'ত , ৰবিবাৰ, ১৪৩০ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.13 Date Of Publication - 31 March 2024 Rs.10.00/-

## সাধাৰণ কাৰ্যকৰ্তাক ষ্টাৰ কেম্পেইনাৰৰ ৰূপত অৱতীৰ্ণ কৰাই জনসাধাৰণৰ মাজলৈ যোৱাৰ ৰণকৌশল প্ৰস্তুত বিজেপিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চাৰি শতাধিক আসনৰ এটা কঠিন লক্ষ্য হাতত লৈ নিৰ্বাচনী ৰণত জঁপিয়াই পৰা বিজেপিয়ে এই লক্ষ্যপ্ৰাপ্তিৰ বাবে হাতত লৈছে এটা অভিনৱ কৌশল- এ আৰ চি ট্ৰায়েংগল। ইণ্ডিয়া চাইনিং ধ্বনিৰ তিক্ত অভিজ্ঞ তা আজিও পাহৰিব নোৱাৰা দলটোৰ নেতৃত্বই এইবাৰ চাৰি শতাধিক আসনৰ লক্ষ্য অৰ্জন কৰাৰ বাবে প্ৰতিগৰাকী ভোটাৰৰ হৃদয়ত প্ৰৱেশ কৰাৰ নীতি হাতত লৈছে। দলটোৱে ইয়াৰ বাবে মূল অস্ত্ৰ হিচাপে গণ সংযোগত ব্যৱহাৰ কৰাৰ ৰণনীতি প্ৰস্তুত কৰিছে। ইতিহাসৰ পৰা শিক্ষা লৈ বিজেপিয়ে হাতত লৈছে এ আৰ চি ট্ৰায়েংগল কৌশল। অৰ্থাৎ গণ সংযোগৰ জৰিয়তে আত্মীয়তা আৰু বাস্তৱক প্ৰতিষ্ঠা কৰা। বিজেপিৰ মূল কথাটো হৈছে যিমান পাৰি সিমানেই মানুহৰ দুৱাৰমুখলৈ যোৱা আৰু ঘৰৰ দুৱাৰ খুলি ভোটাৰৰ হৃদয়ত প্ৰৱেশ কৰা। অৰ্থাৎ ভোটাৰক বিজেপিৰ মনৰ বতৰা জনোৱা। এইখিনিতে উল্লেখ্য যে এ আৰ চি ট্ৰায়েংগলৰ এ বৰ্ণটোৱে এফিনিটী অৰ্থাৎ আত্মীয়তা, আৰ বৰ্ণটোৱে ৰিয়েলিটী অৰ্থাৎ বাস্তৱ আৰু চি বৰ্ণটোৱে কমুনিকেচন অৰ্থাৎ সংযোগ বুজাইছে। আত্মীয়তা, বাস্তৱ আৰু সংযোগ এই তিনিটা বাহুৰে গঠিত ত্ৰিভুজটোৱে হৈছে এ আৰ চি ট্ৰায়েংগল। ইয়াৰে মূল শক্তিটো আহিছে কমুনিকেচন অৰ্থাৎ সংযোগৰ পৰা। বিজেপিয়ে গণ সংযোগৰ জৰিয়তে আত্মীয়তা আৰু বাস্তৱক অস্তিত্বলৈ আনি অৰ্থাৎ মানুহৰ হৃদয়ত প্ৰৱেশ কৰাৰ ৰণকৌশল হাতত লৈছে। বিজেপিৰ ৰণকৌশল প্ৰস্তুতকৰ্তাৰ মতে সজাগতা আৰু সুখানুভূতিৰ শীৰ্ষ বিন্দুলৈ মানুহক লৈ যোৱাৰ সেতুখন হৈছে গণ সংযোগ। ইয়াৰ বাবে বিজেপিয়ে তাৰকা নহয়, সাধাৰণ কৰ্মী তথা তৃণমূল পৰ্যায়ৰ নেতাক ভোটাৰৰ প্ৰতিটো ঘৰলৈ পঠিওৱাৰ পৰিকল্পনা কৰিছে। নীতিটো সৰল আৰু সহজ। চেলিব্ৰিটী আৰু তাৰকাই মানুহৰ ঘৰে ঘৰে যাব নোৱাৰে। এই কামফেৰা সাধাৰণ মানুহে কৰিব পাৰে। ইয়াৰ জৰিয়তে পৰিয়ালে পৰিয়ালে বিজেপিৰ বতৰাও মানুহক দিব পাৰি। সেয়ে বিজেপি নেতৃত্বৰ মতে, দলটোৰ প্ৰতিজন কৰ্মকৰ্তা একো একোজন ষ্টাৰ কেম্পেইনাৰ। তদুপৰি সামাজিক মাধ্যমত ৰীল প্ৰস্তুত কৰি, সমাজত প্ৰভাৱ থকা ব্যক্তিক সামাজিক মাধ্যমৰ জৰিয়তে জনসাধাৰণৰ কাষলৈ লৈ যোৱা, পডকাষ্ট আৰু জনপ্ৰিয় ইউটিউবৰ

(দহ পৃষ্ঠাত চাওক)

## মৰণোত্তৰভাৱে ৪ বিশিষ্ট ব্যক্তিলৈ ভাৰতৰত্ন প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- চাৰিগৰাকী বিশিষ্ট ব্যক্তিক ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্নৰে সন্মানিত কৰিলে। মৰণোত্তৰভাৱে প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিং, প্ৰাক্তন প্ৰধানমন্ত্ৰী পিভি নৰসিংহ ৰাও, বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপূৰী ঠাকুৰ আৰু বিশিষ্ট কৃষি বিজ্ঞানী ড° এম এছ স্বামীনাথনলৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এই সন্মান প্ৰদান কৰে। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই সন্মান প্ৰদান কৰা হয় বিশিষ্ট ৰাষ্ট্ৰনেতা-বিজ্ঞানীৰ পৰিয়ালৰ সদস্যক। ইফালে প্ৰবীণ বিজেপি নেতা তথা প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানিক তেওঁৰ বাসভৱনত এই সন্মান প্ৰদান কৰা হ'ব। অসুস্থতাৰ বাবে আদৱানি এই সন্মান প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ লগতে প্ৰধানমন্ত্ৰী মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সভাপতি জে পি নাড্ডাও আদৱানিক এই সন্মান প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব। ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত চাৰিগৰাকী বিশিষ্ট ব্যক্তিৰ পৰিয়ালৰ সদস্যৰ হাতত তুলি দিয়া হ'ল ভাৰতৰত্ন সন্মান।

## অসম প্ৰদেশ কংগ্ৰেছত অব্যাহত আছে পদত্যাগৰ ছুনামী



ৰঙিলী বাৰ্ত্তাসেৱা- অসম প্ৰদেশ কংগ্ৰেছত অব্যাহত আছে পদত্যাগৰ ছুনামী। লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত দলটোৰ পৰা বিদায় মাগিছে ইজনৰ পিছত সিজন নেতা-কৰ্মী।ভূপেন বৰা নেতৃত্বাধীন প্ৰদেশ কংগ্ৰেছত খহনীয়া অব্যাহত থকাৰ মাজতে কংগ্ৰেছৰ মায়া এৰি গেৰুৱা বসন পিন্ধিলে মানস বৰাই। দুপৰীয়া কংগ্ৰেছ ত্যাগ কৰিছিল মানস বৰাই। আৰু আবেলি বিজেপি যোগ দিলে মানস বৰাই। কংগ্ৰেছ নেতা গৌৰৱ ছোমানিয়েও যোগদান কৰিলে বিজেপিত। গৌৰৱ ছোমানি অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক। কংগ্ৰেছৰ প্ৰাক্তন মন্ত্ৰী শৰৎ বৰকটকীৰ পুত্ৰ অনুজ বৰকটকীও যোগ দিলে (দহ পৃষ্ঠাত চাওক)

### সম্পাদকীয় শিতান...

## উপদেশতকৈ আৰ্হি ভাল

**দেৱাশীষ গোস্বামী**

উপদেশ, এনে এবিধ বস্তু যাক অতি সহজেই আনক দিব পাৰি। বৰ্তমান সময়ত আমাৰ চাৰিওফালে 'Free' উপদেশ দিয়া মানুহৰ অভাৱ নাই। তাৰ মাজত আমাৰ হিতাৰ্থে, সৎ উপদেশ দিয়া মানুহৰ সংখ্যা এপাচি শাকত এটা জালুকৰ সমান।সমাজত এতিয়া দুমুখীয়া চৰিত্ৰৰ অধিকাৰী সকলৰ দপদপনি। সৎ, স্পষ্টবাদী মুষ্টিমেয় সকল আজি পদপিষ্ট। উপদেশ বোৰ তেতিয়াই হাস্যকৰ হৈ পৰে যেতিয়া দুমুখীয়া চৰিত্ৰৰ অধিকাৰী সকলৰ মুখৰ পৰা নিৰ্গত হয়। দ্বৈত চৰিত্ৰ আমি কেৱল চিনেমা, নাটক আদিতহে দেখিবলৈ পাওঁ। বাস্তৱ জীৱনত তেনে চৰিত্ৰ, এখন সুস্থ সমাজৰ বাবে অতি ভয়ংকৰ। তেনে লোকৰ উপদেশ বোৰ আৰু বেছি ভয়ংকৰ। তেনে উপদেশৰ কবলত পৰি ক'ত যে বিলাই-বিপত্তি, আলৈ-আহুকাল।সেই ধৰনৰ চৰিত্ৰৰ লোকসকলৰ নিজৰ ক্ষেত্ৰত কিন্তু ছবিখন সম্পূৰ্ণ ওলোটা। আনক দিয়া উপদেশ বোৰ নিজৰ বাবে প্ৰযোজ্য নহয় কাৰণ তেওঁলোক সম্পূৰ্ণ জ্ঞাত তেনে হিতে বিপৰীত উপদেশৰ পৰিণাম সম্পৰ্কে। সেয়েহে জ্ঞানী লোকে কয়, 'উপদেশতকৈ আৰ্হি ভাল'। আমি যেতিয়ালৈকে আমাৰ সৎ কৰ্ম, সৎ আচাৰ-ব্যৱহাৰৰ যোগেদি নিজৰ লগতে সমাজৰ হিত সাধিবৰ যোগ্য হৈ নুঠো, অনুসৰণৰ যোগ্য হৈ নুঠো, কোনো অধিকাৰ নাই আনক উপদেশ দিয়াৰ। আমাৰ আৰ্হি ভৱিষ্যত প্ৰজন্মৰ বাটকটীয়া।

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286 Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# কা বিৰোধী জাতীয় মঞ্চৰ উদ্যোগত গণ স্বাক্ষৰ অভিযান



ৰঙিলী বাৰ্ত্তাসেৱা- কা বিৰোধী জাতীয় মঞ্চ অসমৰ উদ্যোগত আহ্বায়ক ৰুবুল দাসৰ লগতে প্ৰদীপ কলিতা, সঞ্জীৱ চিৰাম দেউৰী, যাদৱ গগৈ, ৰবি শইকীয়া চুতীয়া, অসমীয়া যুৱ মঞ্চৰ সভাপতি ৰিতুৰাজ শইকীয়া আদি এটি দলে গুৱাহাটীৰ দীঘলী পুখুৰী পাৰস্থিত খাও গলিত কা আইনৰ বিৰুদ্ধে গণ স্বাক্ষৰ অভিযান লিখা এখন বেনাৰ আৰি ৰাইজৰ তথা কলেজীয়া ছাত্ৰ ছাত্ৰীৰ, (কা আইন বিৰোধ কৰা লোক সকলৰ) স্বাক্ষৰ গ্ৰহণ কৰে। প্ৰায় ২৪৯ টা স্বাক্ষৰ সংগ্ৰহ কৰে। তেওঁলোকে জানিবলৈ দিয়ে যে প্ৰতিখন জিলাই জিলাই স্বাক্ষৰ অভিযান আৰম্ভ কৰাৰ লগতে গুৱাহাটীৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় বোৰতো স্বাক্ষৰ অভিযান আৰম্ভ কৰিব।

# মুকলি হ'ল বঁটাজয়ী অসমীয়া চলচ্চিত্ৰ 'জিয়া'ৰ সংগীত




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত বহুপ্ৰত্যাশিত-বহুচৰ্চিত অসমীয়া পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ 'জিয়া'ৰ সংগীত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। চলচ্চিত্ৰখনৰ সদ্য মুক্তিপ্ৰাপ্ত গীতকেইটাই অসমীয়া সংগীত জগত সমৃদ্ধ কৰাৰ লগতে দৰ্শক-শ্ৰোতাক নতুন সংগীতৰ সোৱাদ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। 'জিয়া' চলচ্চিত্ৰখনৰ পৰিচালক হৈছে কেনি বসুমতাৰী আৰু প্ৰযোজক শৰ্মিষ্ঠা চক্ৰৱৰ্তী। মুক্তিৰ পূৰ্বেই যথেষ্ট প্ৰশংসা বুটবলিবলৈ সক্ষম হোৱা জিয়াই শেহতীয়াকৈ অনুষ্ঠিত হোৱা প্ৰাগ চিনে এৱাৰ্ড অনুষ্ঠানত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰাৰ লগতে শ্ৰেষ্ঠ পুৰুষ কণ্ঠশিল্পী (অংগৰাগ পাপন মহন্ত) আৰু শ্ৰেষ্ঠ আবহ সংগীত শিতানত (অম্বৰ দাস) বঁটা জিনিবলৈ সক্ষম হৈছে। নিজৰ সৰ্বোচ্চ উজাৰি নতুনত্বৰ সমাহাৰেৰে চলচ্চিত্ৰখনত সংগীত প্ৰযোজনা কৰিছে অম্বৰ দাসে। সকলো দৰ্শকে আদৰি লোৱাকৈ, এক নতুন আমেজ প্ৰদান কৰাৰ লগতে কাহিনীৰ সৈতে অনুৰণিত কৰিব পৰাকৈ চলচ্চিত্ৰখনৰ সংগীত প্ৰস্তুত কৰা হৈছে। চলচ্চিত্ৰখনৰ গীতকেইটা শুনি সকলোৱে আপ্লুত হৈ অম্বৰ দাসৰ সৃষ্টিৰ প্ৰশংসা কৰে। 'জিয়া'ৰ সংগীতত আবেগ আৰু সুৰৰ এক বৰ্ণিল সংমিশ্ৰণ প্ৰদান কৰা হৈছে যাতে চিন্তাৰ একেডাল সূতাৰেই চলচ্চিত্ৰ আৰু দৰ্শকক বান্ধি ৰাখিব পাৰি। আকৰ্ষণীয় গীতৰ ভিতৰত অংগৰাগ পাপন মহন্ত আৰু শৰ্মিষ্ঠা চক্ৰৱৰ্তীৰ মন্ত্ৰমুগ্ধকৰ কণ্ঠৰে "সপোন সপোন লগা" আৰু শংকুৰাজ কোঁৱৰ আৰু শৰ্মিষ্ঠা চক্ৰৱৰ্তীয়ে কণ্ঠ নিগৰোৱা "এই সাধু" অন্যতম। চিনেমাখনক নতুন মাত্ৰা প্ৰদান কৰা গীতকেইটাৰ ভিতৰত মৈত্ৰেয়ী পাটৰে হৃদয়ৰ পৰশ ঢালি সৃষ্টি কৰা (দহ পৃষ্ঠাত চাওক)

# দেৰগাঁৱত "বিশ্ব নাট্য দিৱস" উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ অন্যতম নাট্য শিক্ষা প্ৰতিষ্ঠান নৰ্থ ইষ্ট থিয়েটাৰ একাডেমী(নেটা), দেৰগাঁৱৰ উদ্যোগত ২৭ মাৰ্চত বিশ্ব নাট্য দিৱস উপলক্ষে গীত-নৃত্য-নাটক-কবিতাৰ এটি অন্তৰংগ আবেলিৰ ব্যতিক্ৰমী অনুষ্ঠান দেৰগাঁও সাহিত্য সভাৰ ৰাজহুৱা পুথিভঁড়ালত আড়ম্বৰপূৰ্ণভাৱে শতাধিক নাট্যপ্ৰেমী দৰ্শকৰ উপস্থিতিত পালন কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি অন্যান্য অনুষ্ঠানৰ লগতে নৰ্থ ইষ্ট থিয়েটাৰ একাডেমী (নেটা), ৰ উদ্যোগত অনুষ্ঠিত হোৱা দহদিনীয়া নাট্য কৰ্মশালাত অংশগ্ৰহনকাৰী প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা কেইবাখনো চুটি নাট আৰু দলীয় মুকাভিনয়ৰ অনুষ্ঠান প্ৰদৰ্শিত হয়। উল্লেখযোগ্য যে নৰ্থ ইষ্ট থিয়েটাৰ একাডেমী (নেটা), ৰ উদ্যোগত অনুষ্ঠিত হোৱা দহদিনীয়া নাট্য কৰ্মশালাত নেটাৰ সঞ্চালক সীমান্ত ফুকনৰ লগতে নেটাৰ প্ৰাক্তন ছাত্ৰ সু-অভিনেতা ভৰত চাহুৰে সহযোগী প্ৰশিক্ষকৰূপে প্ৰশিক্ষাৰ্থীসকলক মঞ্চ অভিনয়ৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। সু-অভিনেত্ৰী দৰ্শনা বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট নাট্যকাৰ-পৰিচালক দেৱব্ৰত মহন্তই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিশ্ব নাট্য দিৱসৰ তাৎপৰ্য্যৰ ওপৰত বহুমূলীয়া বক্তব্য প্ৰদান কৰে । নৰ্থ ইষ্ট থিয়েটাৰ একাডেমীৰ(নেটা) ৰ সঞ্চালক সীমান্ত ফুকনৰ পৰিকল্পনা আৰু পৰিচালনাত নেটাৰ নিয়মীয়া আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু কৰ্মশালাৰ প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা তিনিখন চুটি নাটক, একক অভিনয় আৰু "দুই বদমাচ" শীৰ্ষক এখনি সৰ্বাঙ্গসুন্দৰ দলীয় মুকাভিনয়ৰ অনুষ্ঠান পৰিৱেশিত হয়। তাৰোপৰি বিশ্ব নাট্য দিৱসৰ অন্তৰংগ আবেলিৰ অনুষ্ঠানটিত কবি গল্পকাৰ গৌৰৱ বৰুৱা, কবি, লেখিকা যুতিমালা বৰঠাকুৰ, লাতুমণি বৰা শইকীয়া, জ্যোতি কুমাৰী শৰ্মা বৰঠাকুৰ, ইন্দ্ৰাণী গোস্বামী আদিয়ে কবিতা আবৃত্তিৰে অনুষ্ঠানটি জীপাল কৰি তোলে । অনুষ্ঠানত নেটাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা কেইবাটাও নৃত্য-গীত আৰু একক অভিনয়ৰ মনোমোহা অনুষ্ঠান পৰিৱেশন কৰা হয়। অনুষ্ঠানটিৰ শেষত দহদিনীয়া নাট্য কৰ্মশালাত ভাগ লোৱা প্ৰশিক্ষাৰ্থী সকলক প্ৰমান পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত নেটাৰ সভাপতি বুবুল চন্দ্ৰ বৰাকে প্ৰমুখ্যে, প্ৰভাত চন্দ্ৰ ফুকন, বীৰেন চন্দ্ৰ বৰা, অৰুণ শৰ্মা, প্ৰশান্ত মাধৱ বৰা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# দৰঙত জিলা আয়ুক্তৰ লোকসভা নিৰ্বাচন বিষয়ক পৰ্যালোচনা সভা



ৰঙিলী বাৰ্ত্তাসেৱা- দৰঙৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া মুনীন্দ্ৰ নাথ ঙাটেয়ে জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাগৃহত লোকসভা নিৰ্বাচনৰ বাবে জিলাখনত গঠিত বিভিন্ন কোষৰ মুৰব্বী বিষয়াসকলৰ সৈতে নিৰ্বাচনৰ প্ৰস্তুতিৰ বিষয়ে ২৮ মাৰ্চত এক পৰ্যালোচনা সভাত মিলিত হয়। সভাত জিলাখনৰ ভোট কেন্দ্ৰ সমূহত বিদ্যুতৰ সংযোগ, ৰেম্পৰ সুবিধা, তুলনামূলকভাৱে দুৰ্গম অঞ্চলৰ ভোটকেন্দ্ৰসমূহলৈ বিষয়া - কৰ্মচাৰীৰ যাতায়াত, বিশেষ ভাৱে সক্ষম ভোটাৰৰ কাৰণে হুইল চেয়াৰৰ ব্যৱস্থা, অনুজ্ঞাপত্ৰযুক্ত আগ্নেয়াস্ত্ৰ জমা কৰা, আদৰ্শ ভোটকেন্দ্ৰৰ সজ্জা, নিৰ্বাচন বিষয়ক সজাগতামূলক প্ৰচাৰ আদি বিভিন্ন বিষয় সম্পৰ্কে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। ভোটগ্ৰহণ কেন্দ্ৰসমূহত বিদ্যুৎ সংযোগ, ৰেম্প আদি বিভিন্ন সুবিধা নিশ্চিত কৰিবৰ বাবে জিলা আয়ুক্ত গৰাকীয়ে চক্ৰ বিষয়াসকলক নিজ নিজ অঞ্চলৰ ভোটকেন্দ্ৰ সমূহলৈ গৈ এই সুবিধা - অসুবিধা সমূহৰ বিষয়ে সোনকালে তেওঁৰ ওচৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। সেইদৰে নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত বিষয়া- কৰ্মচাৰী সকলৰ যাতায়াতৰ পৰা বিশেষ ভাৱে সক্ষম ভোটাৰৰ বাবে হুইল চেয়াৰৰ ব্যৱস্থা, ফ্লাইং স্কোৱাড দলে গ্ৰহণ কৰিবলগীয়া সতৰ্কতালৈকে বিভিন্ন বিষয়ৰ পৰ্যালোচনা কৰি জিলা আয়ুক্তগৰাকীয়ে কোষসমূহৰ মুৰব্বী বিষয়া সকলক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে। লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ লগে লগে প্ৰযোজ্য হোৱা নিৰ্বাচনী আচৰণ বিধি অনুসৰি দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা সকলো চৰকাৰী প্ৰচাৰমূলক প'ষ্টাৰ, বেনাৰ, বিজ্ঞাপন আদি আঁতৰ কৰা তথা নিৰ্বাচনী আচৰণ বিধিৰ সঠিক পালন সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়েও সভাত পৰ্যালোচনা কৰা হয়। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ সম্পৰ্কে সাধাৰণ ৰাইজে ১৯৫০ ট'লফ্ৰী নম্বৰ আৰু cVIGIL এপৰ জৰিয়তেও জিলা প্ৰশাসনক অৱগত কৰিব পাৰে। জিলা আয়ুক্তগৰাকীয়ে জনসাধাৰণৰ (দহ পৃষ্ঠাত চাওক)

# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৬ সংখ্যক মৃত্যু বাৰ্ষিকী স্মৃতি চাৰণ সভা

ৰঙিলী বাৰ্ত্তাসেৱা- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৬ সংখ্যক মৃত্যু বাৰ্ষিকী। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত লগতে গুৱাহাটী আৰ্টিষ্ট গিল্ড আৰু নবীন গোষ্ঠী, কটন বিশ্ববিদ্যালয়ৰ সহায়ত গুৱাহাটীৰ চান্দমাৰীৰ আৰ্টিষ্ট গিল্ডৰ প্ৰেক্ষাগৃহত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ ৰাজহুৱা সভাখনত সমিতিৰ স্থায়ী সভাপতি প্ৰদ্যুৎ কুমাৰ চৌধুৰীয়ে পৌৰোহিত্য কৰে। সভাৰ আৰম্ভণিতে বেজবৰুৱাৰ ফটোত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। আৰ্টিষ্ট গিল্ডৰ সভাপতি আমিনুল হকৰ উপৰিও বিশিষ্ট কবি আনিচ উজ জামান, বিশিষ্ট সংগীত পৰিচালক ৰমেন চৌধুৰীক উষ্ম সম্বৰ্ধনা জনোৱা হয়। সভাত কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি বেজবৰুৱাৰ গুণানুকীৰ্তন কৰে।

# ডিব্ৰুগড় সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে সৰ্বানন্দ সোণোৱাল আৰু লুৰিণ জ্যোতি গগৈয়ে

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ ১৩নং সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ফুলবাগানস্থিত পুৰণি হাইস্কুল খেলপথাৰৰ পৰা পদযাত্ৰা কৰি ডিব্ৰুগড়ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে সৰ্বানন্দ সোণোৱালে। মনোনয়ন দাখিলৰ সময়ত সোণোৱালৰ





সৈতে সংগ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, ডিব্ৰুগড় লোকসভাৰ সাংসদ ৰামেশ্বৰ তেলীৰ লগতে অসম গণ পৰিষদ আৰু ইউ পি পি এল দলৰ নেতৃত্ব। বিজেপি প্ৰাৰ্থী গৰাকীৰ মনোনয়ন দাখিলৰ বাবে তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ প্ৰতিটো সমষ্টিৰ পৰাই দলীয় কৰ্মীসকল আহি পদযাত্ৰাত অংশগ্ৰহণ কৰে। উল্লেখ্য- যোগ্য যে লোকসভা নিৰ্বাচনৰ দিন চমু চপাৰ লগে লগে প্ৰচাৰ তুংগত কৰি তুলিছে প্ৰতিটো ৰাজনৈতিক দলে । ৰাজ্যৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত অতি আকৰ্ষণীয় হৈ উঠিছে ডিব্ৰুগড় লোকসভা সমষ্টিৰ নিৰ্বাচনী যুঁজ। ডিব্ৰুগড় লোকসভা সমষ্টিত বৰ্তমানৰ সাংসদ তথা কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ টিকট কৰ্তন কৰি শাসকীয় দলৰ বিজেপিয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। ডিব্ৰুগড় লোকসভা সমষ্টিত সৰ্বানন্দ সোণোৱাল প্ৰাৰ্থী হোৱাত উৎফুল্লিত ডিব্ৰুগড়ৰ বিজেপি কৰ্মীসকল। ইতিমধ্যে ডিব্ৰুগড় লোকসভা সমষ্টিত থকা ৰৰটা বিধানসভা সমষ্টিত বিজেপি দলে আৰম্ভ কৰিছে জোৰদাৰ প্ৰচাৰ অভিযান। বিৰোধীক দুৰ্বল বুলি নভবা সৰ্বানন্দ সোণোৱালে বিধায়ক আৰু দলীয় কৰ্মীসকলক লগত লৈ প্ৰতিটো বিধানসভা সমষ্টিত ব্যাপক প্ৰচাৰ অভিযান চলাইছে । আনহাতে বিৰোধী ঐক্য মঞ্চৰ সন্মিলিত শীৰ্ষ নেতাসকলৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে বিৰোধী ঐক্যমঞ্চৰ প্ৰক্ষেপিত প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে। মনোনয়ন দাখিল কৰি ৰাইজৰ আশীৰ্বাদ বিচাৰিলে প্ৰাৰ্থী

(দহ পৃষ্ঠাত চাওক)

# নাজিৰাৰ গেলেকীত বন্ধু বিদ্যালয়ৰ কাৰ্যসূচী উদযাপন



ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত মৰাণবাৰী প্ৰাথমিক বিদ্যালয়ত ২৮ মাৰ্চত মৰাণবাৰী প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত ৭৯১ নং আদপুৰীয়া প্ৰাথমিক বিদ্যালয় আৰু পিয়লি ফুকন প্ৰাথমিক বিদ্যালয়ৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে বন্ধু বিদ্যালয়ৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি গেলেকীৰ ন -পুখুৰী শাখা সাহিত্য সভাৰ তৰফৰ পৰা ছাত্ৰ ছাত্ৰী সকলৰ মাজত কবিতা

# ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ উপস্থিতিত বিজেপিত নেতাৰ যোগদান



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ত যোৱা ২৬ মাৰ্চত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ডিব্ৰুগড়ৰ বিজেপিৰ অস্থায়ী নিৰ্বাচনী কাৰ্যালয়ত কংগ্ৰেছকে ধৰি কেইবাগৰাকীও নেতাই বিজেপিত যোগদান কৰে। এই যোগদান কাৰ্যসূচীত উপস্থিত আছিল কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভাৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱাল। বিজেপিত যোগদান কৰে তিনিচুকীয়া জিলা কংগ্ৰেছৰ সভাপতি প্ৰণৱ বৰুৱাসহ কেইবাগৰাকী কংগ্ৰেছী নেতাই। ইয়াৰ ভিতৰত কংগ্ৰেছৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিৰিঞ্চি নেওগ, জ্যেষ্ঠ কংগ্ৰেছী মহেশ মৰাণ আৰু থমাচ বৰুৱা। ইয়াৰ লগতে বিজেপিত যোগদান কৰে কেবাটাও দল সংগঠনৰ নেতা, প্ৰাক্তন নেতাই। এই অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে যিটো হাৰত বিজেপিত কংগ্ৰেছী মানুহে যোগদান কৰিছে এতিয়া ৰাজীৱ ভৱনত বহিবলৈ মানুহ নাথাকিব এনেকুৱা পৰিবেশত অসমখন গৈ আছে। এই যোগদান কৰা সকলৰ ভিতৰত

(দহ পৃষ্ঠাত চাওক)

# কাজিৰঙা সমষ্টিৰ বাবে কামাখ্যা প্ৰসাদ তাছাৰ মনোনয়ন দাখিল



ৰঙিলী বাৰ্তাসেৱা- ১০ নং কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰ জোটৰ প্ৰাৰ্থী হিচাপে গোলাঘাটত মনোনয়ন পত্ৰ দাখিল কৰে কামাখ্যা প্ৰসাদ তাছাই। কামাখ্যা তাছা জিন্দাবাদ, বিজেপি জিন্দাবাদ, ধ্বনিৰে উত্তাল পৰিবেশৰ মাজত ঢোলে-দগৰে বিশাল সমদলৰে হাজাৰ সমৰ্থক উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে তাছাই। মনোনয়ন পত্ৰ দাখিলৰ সময়ত তেখেতিয়ক সংগ দিয়া মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা, জয়ন্ত মল্ল বৰুৱা, বিধায়ক বিশ্বজিৎ ফুকন, ৰাজ্যিক সভাপতি ভবেশ কলিতা তথা বিভিন্ন নিকায়- নিগমৰ নেতৃবৰ্গকে ধৰি বিজেপি মিত্ৰ জোটৰ ভালেমান কৰ্মকৰ্তাই। ইয়াৰ পূৰ্বে কামাখ্যা তাছাই ঐতিহ্যমণ্ডিত আঠখেলিয়া নাম ঘৰত সেৱা লয়।

# বিৰুবাৰীত সাহিত্যাচাৰ্য ভৃগুমুনি কাগয়ুংৰ স্মৃতিচাৰণ আৰু সোঁৱৰণী পুথিভঁৰালৰ দ্বাৰ উন্মোচন

ৰঙিলী বাৰ্তাসেৱা-মিচিং সমাজৰ সাংস্কৃতিক ইতিহাসস্বৰূপ "মিচিং সংস্কৃতিৰ আলেখ্য" ৰ স্ৰষ্টা, ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰাপক বৰেণ্য সাহিত্যিক, তাত্বিক সমালোচক, লোক-সংস্কৃতিৰ গৱেষক, সাহিত্যাচাৰ্য ভৃগুমুনি কাগয়ুংৰ স্মৃতিচাৰণ আৰু সোঁৱৰণী পুথিভঁৰালৰ দ্বাৰ উন্মোচন আজি মহানগৰীৰ বিৰুবাৰীস্থিত যুৱ বয়জ ক্লাৱ প্ৰাংগণত অনুষ্ঠিত হয়। "গমলাব মিগাং (সাহিত্যাচাৰ্য) ভৃগুমুনি কাগয়ুং স্মৃতি সুৰক্ষা সমিতি"ৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠান সমিতিৰ সভাপতি কৃষ্ণ ৰাম মিলিৰ সঞ্চালনাত অনুষ্ঠিত হয় । সমিতিৰ সম্পাদক ড° অভিজিৎ পায়েঙে আঁত ধৰা অনুষ্ঠানত আনুষ্ঠানিক ভাৱে পুথিভঁৰালৰ দ্বাৰ উন্মোচন কৰি পুঠিমাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান



অধ্যাপিকা ড° প্ৰণতি তালুকদাৰ মুদিয়াৰে কয়- "জনগোষ্ঠীয় ভাষাসমূহ আমি জানিব লাগে । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে খোঁজ কাঢ়ি-কাঢ়ি, বহু ঘাত - প্ৰতিঘাত নেওচি সমগ্ৰ ৰাজ্যতে নহয় চুবুৰীয়া ৰাজ্যলৈ গৈ তেওঁৰ ধৰ্ম-সংস্কৃতি, নাট-পদ, গীত আদি প্ৰচাৰ-প্ৰসাৰ কৰিছিল। আজিকালিৰ একাংশ পণ্ডিতে মহাপুৰুষ জনাৰ বিষয়ে ভাষণ দিবলৈ মাতিলে তেওঁলোকক অনা-নিয়া কৰিব লাগে, সুধে কিমান টকা দিব। এই বক্তৃতা

(দহ পৃষ্ঠাত চাওক)

# অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপ-সভাপতি পদ ত্যাগ ৰাজু চাহুৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম কংগ্ৰেছৰ ভিতৰৰ দলীয় বিবাদৰ অন্ত পৰা নাই ।একাধিক টিকট বঞ্চিত নেতাই দল এৰাৰ পিছত এইবাৰ দলটোৰ উপ-সভাপতি ৰাজু চাহুৰে তেওঁক গুৰুত্বহীন কৰাৰ অভিযোগত এক পত্ৰৰ জৰিয়তে উপ-সভাপতি পদ ত্যাগ কৰিছে। দলৰ সভাপতি ভূপেন বৰাৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি ত্যাগ কৰে এই পদ। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ স্থিতিক লৈ অসন্তুষ্ট হৈ উপ-সভাপতি পদ ত্যাগ কৰিলে কংগ্ৰেছ নেতাগৰাকীয়ে। তেওঁৰ অভিযোগ ডিব্ৰুগড়-তিনিচুকীয়াক লৈ তেওঁ সভাপতি ভূপেন বৰাই সকলো সিদ্ধান্ত একপক্ষীয়ভাৱে গ্ৰহণ কৰিছে। তেওঁৰ সৈতে কোনো কথাই আলোচনা কৰা নাই। লগতে তেওঁ নিস্বাৰ্থভাৱে জিলা দুখনত দলীয় কাম কাজ কৰি আহিছিল বুলিও উল্লেখ কৰিছে। সভাপতি ভূপেন বৰাই এনে একপক্ষীয় সিদ্ধান্তৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কয়, কেৱল অলংকাৰ হৈ উপ-সভাপতি হিচাপে কাম কৰাৰ মন নাই। দলৰ সাধাৰণ কৰ্মী হিচাপে কাম কৰি যাম।

# কালা পাহাৰ ব্লক কংগ্ৰেছ কমিটীৰ বৃহৎ যোগদান কাৰ্য্যসূচী



ৰঙিলী বাৰ্ত্তাসেৱা- কালাপাহাৰ ব্লক কংগ্ৰেছ কমিটীৰ অন্তৰ্গত সোনাইঘুলিস্থিত, ছি চাং ক্লাবত , কালাপাহাৰ ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি বিদ্দেশ্বৰ ৰায়'ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত অৰ্থ শতাধিক জনজাতীয় যুৱক-যুৱতী, পুৰুষ-মহিলাই যোগদান কৰে । ৫ নং গুৱাহাটী লোকসভা নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষ গোপাল চন্দ্ৰ শৰ্মাই তেওঁৰ বক্তব্যত বিজেপি নেতৃতাধীন চৰকাৰ খনে গোটেই অৰ্থনৈতিক ব্যৱস্থাটোকে ধ্বংস কৰি পেলাইছে বুলি কয় ।শৰ্মাই কয় যে, এই চৰকাৰ খনৰ সকলো ধৰণৰ অন্যায় - অবিচাৰ, দূৰ্নীতি, মূল্য বৃদ্ধি, কৰ-কাতল, নিবনুৱা সমস্যা , মানুহৰ বাক্ স্বাধীনতা, মৌলিক অধিকাৰ, সকলো নিশেষ কৰি পেলাইছে এই চৰকাৰ খনে। গতিকে ৰাইজে এতিয়া পৰিত্ৰাণ বিচাৰিছে এই চৰকাৰ খনৰ পৰা । সেয়েহে সবল নেতৃ, সদায় ৰাইজৰ লগত থকা বলিষ্ঠ কণ্ঠ, মীৰা বৰঠাকুৰ গোস্বামীক হাতৰ চিনত ভোট দি জয় যুক্ত কৰিবলৈ ৰাইজলৈ আহ্বান জনায়। সভাত জেষ্ঠ কংগ্ৰেছী জীৱন কুলিকে আদি কৰি বিভিন্ন বক্তাই বক্তব্য ৰাখে। উল্লেখ্য যে, সভাত উপস্থিত থাকে- গুৱাহাটী জিলা মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী অনামিকা স্বৰ্গীয়াৰী, ৰাজ্যিক মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা স্ৰী ৰশ্মিৰেখা গগৈ। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখ পাত্ৰ হেপি গগৈ, কালা পাহাৰ মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী শ্ৰী হিৰামনি পেগু, ২৫ নং ৱাৰ্ড কংগ্ৰেছ কমিটীৰ সভাপতি শ্ৰী দয়ানন্দ পাইট, অৰূপ সাৰাংগী, কৃষ্ণ আগৰৱালা, বিশিষ্ট সমাজ সেৱী তথা জ্যেষ্ঠ কংগ্ৰেছী হৰগৌৰি বসুমতাৰীকে প্ৰমুখ্যে কৰি বহু নেতা কৰ্মীয়ে অংশ গ্ৰহন কৰে বুলি কালা পাহাৰ ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি বিদ্দেশ্বৰ ৰায়ে এক প্ৰেচ বিবৃতি যোগে জানিবলৈ দিয়ে ।

# নাগালেণ্ডৰ ৰাজ্যপালৰ উপস্থিতিত শিল্পগ্ৰামত বিহুনাচৰ কৰ্মশালাৰ সামৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- ৰঙালী বিহুলৈ আৰু বেছিদিন নাই। সেয়েহে অসমবাসীৰ মাজত ব'হাগৰ উচাহ ইতিমধ্যে আৰম্ভ হৈছে। তাৰে এক ছবি পৰিলক্ষিত হ'ল যোৱা সপ্তাহ ধৰি গুৱাহাটীৰ পাঞ্জাবাৰীৰস্থিত শিল্পগ্ৰামত। উল্লেখযোগ্য যে, উত্তৰ পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰ, ডিমাপুৰৰ উদ্যোগত আৰু সংগীত নাটক অকাদেমী, নতুন দিল্লী, সংস্কৃতি মন্ত্ৰালয়, ভাৰত চৰকাৰৰ সহযোগত ১৭ মাৰ্চৰ পৰা ২৪ মাৰ্চলৈকে আঠদিনীয়া কাৰ্যসূচীৰে সম্পূৰ্ণ বিনামূলীয়াকৈ অনুষ্ঠিত হোৱা " বিহুনাচ, বিহুনাম আৰু বিহু ঢোল"ৰ কৰ্মশালা খন সফলতাৰে সামৰণি পৰে। সংগীত নাটক অকাদেমী বঁটা প্ৰাপক বিহুগুৰু তথা এন.হ. জেদ.চি.চি.ৰ সঞ্চালক ডাঃ প্ৰসন্ন গগৈৰ পৰিচালনা অনুষ্ঠিত কৰ্মশালাত অসমৰ ১০ গৰাকী বিহুনাচ, নাম আৰু ঢোলৰ প্ৰতিভাশালী বিশিষ্ট শিল্পীয়ে

(দহ পৃষ্ঠাত চাওক)

# এবিভিপিৰ উদ্যোগত ফাকুৱা উৎসৱ উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- এবিভিপিৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন স্থানত ৰঙৰ উৎসৱ ফাকুৱা বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয়। ঐতিহ্যমণ্ডিত কটন বিশ্ববিদ্যালয়, শিলচৰৰ অসম বিশ্ববিদ্যালয়কে ধৰি গুৰুচৰণ মহাবিদ্যালয়ৰ, কোকৰাঝাৰৰ গোহাঁই গাঁৱত বিভিন্ন কাৰ্যসূচীৰ জড়িয়তে ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হয়। ইয়াৰ উপৰিও বৰপেটা জিলাৰ ভৱানীপুৰত এক হোলী গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কটন বিশ্ববিদ্যালয়ৰ বাকৰিত উৎযাপন হোৱা এই ফাকুৱা উৎসৱত বিশ্ববিদ্যালয় খনৰ প্ৰতিখন হোষ্টেলৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰি ফাকুৱা উৎসৱ উদযাপন কৰে। ইয়াৰ উপৰিও অসম বিশ্ববিদ্যালয়, শিলচৰৰ ফাকুৱা উৎসৱত বিশ্ববিদ্যালয় খনৰ ছাত্ৰ ছাত্ৰী সকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ লগতে অনুষ্ঠানত বিশেষভাৱে বিশ্ববিদ্যালয় খনৰ উপাচাৰ্য ৰাজীৱ মোহন পান্ত উপস্থিত থাকে। কোকৰাঝাৰৰ গোহাঁই গাঁৱত অনুষ্ঠিত হোৱা ফাকুৱা উৎসৱত অঞ্চলটোৰ বহুতো ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ইয়াৰ উপৰিও বৰপেটাৰ ভৱানীপুৰ শাখাৰ উদ্যোগত শংকৰদেৱ শিশু নিকেতন, ভৱানীপুৰৰ সহযোগত শিশু নিকেতন খনৰ বাকৰিত এক হোলী গীতৰ প্ৰতিযোগিতা আয়োজন কৰা হয়।

# তৃণমূল কংগ্ৰেছৰ নিৰ্বাচনৰ অংগীকাৰপত্ৰ আৰু নিৰ্বাচনী প্ৰচাৰৰ দুটাকৈ গীত মুকলি



ৰঙিলী বাৰ্ত্তাসেৱা- ক্ৰমান্বয়ে তুংগত উঠিছে অসম তৃণমূল কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ। লখিমপুৰ জিলাত আগন্তুক লোকসভা নিৰ্বাচনৰ অংগীকাৰপত্ৰ আৰু দুটাকৈ নিৰ্বাচনী প্ৰচাৰৰ গীত মুকলি কৰে অসম তৃণমূল কংগ্ৰেছ দলে। সভাপতি ৰিপুণ বৰা আৰু লখিমপুৰ লোকসভা সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী ঘনকান্ত চুতীয়াৰ উপস্থিতিত মুকলি কৰা হয় নিৰ্বাচনৰ অংগীকাৰ পত্ৰ। উল্লেখ্য যে, প্ৰতিকূল বতৰকো নেওচি প্ৰায় তিনি সহস্ৰাধিক জনতাৰ সমাগমৰে লখিমপুৰ লোকসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে অসম তৃণমূল কংগ্ৰেছ দলৰ প্ৰাৰ্থী ঘনকান্ত চুতীয়াই। লখিমপুৰ লোকসভা সমষ্টিৰ উন্নয়ন আৰু প্ৰগতিৰ প্ৰতিশ্ৰুতিৰে এক সংকল্পপত্ৰও মুকলি কৰে দলৰ সভাপতি ৰিপুণ বৰাই। উক্ত অনুষ্ঠানত উপস্থিত থাকি দলৰ সভাপতি ৰিপুণ বৰাই কয় যে, ক্টএইবাৰ ৰাইজে বিকল্প বিচাৰিছে। বিজেপিৰ অপশাসনৰ অন্ত পেলাবলৈ ৰাইজে এইবাৰ তৃণমূল কংগ্ৰেছক বিকল্প শক্তিৰূপে বাছি লৈছে। আমাৰ বিশ্বাস এইবাৰ ৰাইজে তৃণমূল কংগ্ৰেছে প্ৰাৰ্থীত্ব প্ৰদান কৰা চাৰিখন আসনতে তেওঁলোকৰ প্ৰাৰ্থীক বিপুল ভোটেৰে জয়যুক্ত কৰিব আৰু ৰাইজৰ অপ্ৰতিৰুদ্ধ কণ্ঠৰূপে বাছি লয়।

# অসমক স্ব-নিৰ্ভৰশীল কৰিবলৈ আমি কি কৰা উচিত

অনামিকা (সংগীতা), শুৱালকুছি



গুৰুত্বপূৰ্ণ বিষয়। এখন দেশ বা ৰাজ্যৰ প্ৰগতিশীল কৰি গঢ়ি তুলিবলৈ হ'লে অৰ্থনৈতিক ভাৱে টনকিয়াল হ'ব লাগিব। তাৰ কাৰণে স্ব-নিৰ্ভৰশীল হোৱাৰ বাট মুকলি কৰিব লাগিব।

আমাৰ অসমখনত যদিও প্ৰচুৰ পৰিমাণে বনজ সম্পদকে আদি কৰি সকলো ফালে পৰিপূৰ্ণ কিন্তু অৰ্থনৈতিক দিশত সবল নহয়। তাৰ কাৰণ অসমৰ লোক সকল স্ব-নিৰ্ভৰশীল নহয়। চৰকাৰৰ কিছুমান ভুল সিদ্ধান্ত আছে যাৰ কাৰণে অসমৰ লোক সকল এলেহুৱা হৈ গৈ আছে।

ইয়াৰ অন্তৰালত কেৰোণ বহুত আছে। উদাহৰণ-ভাৰতৰ বিভিন্ন ৰাজ্যৰ ভিতৰত চাহ উৎপাদনৰ ক্ষেত্ৰত অসম ৰাজ্য প্ৰধান। কিন্তু চাহপাত উৎপাদন হ'লেই নহ'ব ইয়াৰ প্ৰস্তুত কৰা কোম্পানী টাকৰ। আমাৰ অসমতকৈ বেলেগ ৰাজ্যৰ হে চাহপাতৰ প্ৰস্তুত কোম্পানী আৰু গৱেষণা কেন্দ্ৰ বেছি আছে। এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব লাগিব। অসমত উৎপাদন হোৱা চাহ অসমতে চাহপাত প্ৰস্তুত কৰি ৰপ্তানি কৰিব পাৰিলে অৰ্থনৈতিক দিশত অসমখন টনকিয়াল হোৱাৰ লগতে স্ব-নিৰ্ভৰশীল হোৱাৰ এক উল্লেখযোগ্য ভূমিকা থাকিল হেঁতেন।

দ্বিতীয়তে আমাৰ কুটীৰ শিল্পবোৰৰ অৱস্থা দেখিলে মন সেমেকি যায়। কাঁহ-পিতলৰ বাচন বৰ্তন, তাঁত শিল্প, বাঁহ-বেঁতৰ শিল্পবোৰৰ পঁয়ালগা অৱস্থা। বস্ত্ৰনগৰী শুৱালকুছি মই এগৰাকী জীয়ৰী-বোৱাৰী, পূৰ্বপুৰুষ পৰা আমি বয়ন শিল্পৰ লগত জড়িত। ঘৰতে মুগা পাট কাপোৰ তৈয়াৰ কৰি আহিছোঁ। কিন্তু আগতকৈ এতিয়া তাঁত শালৰ সংখ্যা কমিল। কেঁচা মালৰ মূল্যবৃদ্ধি সেই হিচাপত কাপোৰৰ মূল্য পোৱা নাযায়। বৰ্তমান বহিৰাগত গোষ্ঠীৰ ভেজালকৰণ এশ এবুৰী সমস্যা। ঠিক তেনেকৈ কাঁহ পিতলৰ শিল্পটোৰ ক্ষেত্ৰতো ভেজাল কৰণ আদি কৰি বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বাঁহ-বেঁতৰ কেঁচা মাল সংৰক্ষণ ক্ষেত্ৰত বিভিন্ন সমস্যা।

বৰ্তমান প্ৰযুক্তি বিদ্যাৰ যুগত বৈজ্ঞানিক দৃষ্টিভংগীৰে ইয়াৰ প্ৰসাৰ বৃদ্ধি কৰিব লাগিব। বিক্ৰী কৰাৰ ক্ষেত্ৰত বজাৰ সৃষ্টি কৰিব লাগিব। বৰ্তমান আন এক সমস্যা দেখা পাইছোঁ অসমৰ ৪০% লোক কৃষি কৰ্মৰ প্ৰতি এক অনীহা মনোভাৱ। ইয়াৰ অন্তৰালত চৰকাৰে দিয়া বিনামূলীয়া চাউল। তেওঁ লোকে কষ্ট নকৰাকৈ যেতিয়া পৰিয়ালৰ কাৰণে অন্নমুঠি পাইছে, জৰকাৰ্ডৰ যোগেদি পইছা পাইছে। গতিকে কষ্ট কৰাৰ প্ৰশ্ন মনলৈ নাহে। বহুত খেতিয়কে খেতি কৰিবলৈ এৰি দিছে। মানুহবোৰ এলেহুৱা হৈ পৰিছে। খেতিৰ মাটি বোৰ এনেই পৰি থকাৰ ফলত চৰকাৰেও হস্তক্ষেপ কৰাৰ সুবিধা পাইছে তেনে মাটি কিছুমূল্য লৈ চৰকাৰে বহিৰাগত পুঁজিপতি লোকক হস্তান্তৰ কৰিছে।

চৰকাৰৰ আন এক আঁচনি অৰুণোদয়, মাহেকত দৰিদ্ৰ সীমাৰ লোকসকলৰ একাউণ্টত কিছু টকা দিয়ে যাৰ ফলত তেওঁলোকৰ কামৰ প্ৰতি এক উদাসীন মনোভাৱ দেখা পাওঁ। যদি চৰকাৰে এইবোৰ আঁচনি পৰিহাৰ কৰাৰ লগতে আমাৰ বনজ সম্পদ বোৰ উপযুক্ত ভাবে প্ৰসাৰ সংৰক্ষণ কৰাৰ গুৰুত্ব দিব লাগিব। কুটীৰ শিল্পবোৰ ঠন ধৰি উঠাবলৈ কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগিব তেতিয়া অসমখন স্ব-নিৰ্ভৰশীল হোৱাৰ পথ সুগম হ'ব। এইবোৰৰ উপৰিও যদি অসমৰ নৱপ্ৰজন্মক আনুষ্ঠানিক শিক্ষাৰ লগতে বৃত্তিগত কাৰিকৰী বিভিন্ন শিক্ষা প্ৰদান কৰা হয় তেতিয়া অসমক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তুলিব পৰা যাব বুলি আশা কৰিব পাৰি।

# হিল ষ্টেচন উটিলৈ ভ্ৰমণ

শৈলেন কুমাৰ, মিৰ্জা

নতুনত্বই জীৱনত আনে আনন্দ। নতুনত্বৰে জীৱনত আনন্দৰ সন্ধান বিচাৰি মই মোৰ সহধৰ্মিণীক লগত লৈ হিল ষ্টেচন উটি ভ্ৰমণ কৰিবলৈ ওলালো। ১৬ মাৰ্চৰ দিনৰ ৩ বজাত উৰাজাহাজেৰে গুৱাহাটীৰ পৰা বেংগালুৰু লৈ যাত্ৰা। নিৰ্ধাৰিত সময়ৰ পূৰ্বে আমি গৈ বিমানবন্দৰত উপস্থিত হওঁ, বিমানবন্দৰৰ যাৱতীয় কামকাজ বোৰ সম্পন্ন হোৱাৰ পাছত আমি উৰাজাহাজত বহি সন্ধিয়া ঠিক ৬:৩০ বজাত আমি বেংগালুৰু বিমানবন্দৰত উপস্থিত হওঁ। বেংগালুৰু বিমানবন্দৰৰ পৰা টেক্সি ভাড়া কৰি বেংগালুৰুৰ মেজেষ্টি বাছ আস্থানত গৈ পাওঁ। মুৰামুৰি সময়ত বাছ আস্থান গৈ পোৱাৰ হেতুকে আমি অনলাইন টিকট ক্ৰয় নকৰি ট্ৰেভেল এজেঞ্চিৰ সহায় লৈ বাছৰ টিকট ক্ৰয় কৰিলোঁ। কিন্তু পাৰাপক্ষত ট্ৰেভেল এজেঞ্চিত টিকট ক্ৰয় নকৰাটো মংগল কাৰণ অসাধু ট্ৰেভেল এজেঞ্চিৰ দালাল বোৰে আপোনাৰ অসুবিধাৰ সুযোগ বুজি আপোনাক ঠগিব বিচাৰে। ৰাতি তেতিয়া ৯:৩০ মান বাজিছে, বাছ আস্থানৰ কাষতে লাগি থকা এখন হোটেলত নৈশ আহাৰ গ্ৰহণ কৰি আমি ১০ বজাত বাছত উঠি



তামিলনাডুৰ হিল ষ্টেচন উটি অভিমুখে ৰাওনা হওঁ। বেংগালুৰুৰ পৰা উটিলৈ ৪৮০ কিলোমিটাৰ দুৰত্ব মানে ৬/৭ ঘণ্টাৰ ৰাষ্টা। গোটেই ৰাতি আমি বাছত যাত্ৰা কৰি ৰাতিপুৱা ৭ বজাত তামিলনাডুৰ উটিত উপস্থিত হ'লোঁ। বাছৰ পৰা অৱতৰণ কৰি প্ৰথম খোজ উটি চহৰৰ মাটিত থওঁতেই অনুভৱ কৰোঁ সেমেকা বতাহ আৰু ডাৱৰে ঘেৰি ধৰা ভূস্বৰ্গ সদৃশ পৰিবেশৰ। যিহেতুকে আমি আগতীয়াকৈ হোটেল বুকিং কৰি ৰাখিছিলোঁ তাৰবাবে হোটেলৰ পৰা আমাক নিবলৈ গাড়ী এখন আহি বাছ আস্থানত ৰৈ আছিল। গাড়ীত বহি আমি হোটেল পালোঁ। হোটেলৰ সকলো কৰ্মচাৰী তামিল, তামিল সকলৰ অতিথিপৰায়ণত অতিকৈ সন্তুষ্টি লাভ কৰিলোঁ। তেওঁলোক সকলো শান্তিপ্ৰিয়, শান্তিপূৰ্ণ পৰিবেশত শান্তিৰে জীৱনযাপন কৰাত বিশ্বাসী, উশৃংখলতা আৰু বিশৃংখলতা তেওঁলোকৰ মুঠেই প্ৰিয় নহয়। হোটেলত গা পা ধুই উটিৰ বিভিন্ন ঠাই ফুৰিবলৈ ৰেডি হ'লো, ৰাতিপুৱাৰ চাহকাপ হোটেল কৰ্তৃপক্ষৰ পৰা অতিথি আপ্যায়নৰ বাবে বিনামূলীয়া, চাহৰ নাস্তা হিচাপে দক্ষিণ ভাৰতৰ বিখ্যাত ইডলী, দোছা, সাম্ভাৰ খোৱাৰ সৌভাগ্য উপজিল। আমাৰ উটি ভ্ৰমণৰ পেকেজটো দুই নিশা আৰু তিনি দিনৰ আছিল। ভ্ৰমণৰ বাবে আৱশ্যক গাড়ীৰ ব্যৱস্থা হোটেলৰ পৰা কৰি থোৱা আছিল। প্ৰথম দিনাখন বলীউডৰ ছবিৰ দৃশ্যগ্ৰহণ কৰা পাইকাৰা হ্ৰদ, ৰেনলক ৯ মাইল শ্বুটিং পইণ্ট, পাইন ফৰেষ্ট, পাইকাৰা জলপ্ৰপাত, তৃপাৰ্ক ৮ মাইল ভ্ৰমণ কৰি আমি হোটেলৰ ৰুমলৈ উভতিলো। সন্ধিয়া হোৱাৰ লগেলগে উটিত ঠাণ্ডা বাঢ়িব ধৰে, হোটেলৰ কোঠালিৰ বেলকনিৰ পৰা উটি চহৰখনৰ লাইটৰ চিকমিকনি আৰু মৃদু ঠাণ্ডা বতাহ জাকে অন্তৰমন সন্তুষ্টিৰে ভৰাই তোলে, সন্ধিয়াৰ সেই ঠাণ্ডা উপভোগ কৰিবলৈ মই আৰু মোৰ সহধৰ্মিনীয়ে দুকাপ চাহ লৈ সন্ধিয়াৰ সময়খিনি হোটেলৰ কোঠালিৰ বেলকনিত পাৰ কৰোঁ। শান্ত পৰিৱেশত নিৰল নিস্তব্ধতাই দুয়োৰে মনপ্ৰাণ ভৰাই তুলিলে। নিশাৰ সাঁজ আমি হোটেলৰ কোঠালিতে দিবলৈ হোটেলৰ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ কাৰণ ঠাণ্ডাৰ বাবে আমি বাহিৰত ওলাই নেযাওঁ বুলি থিৰাং কৰিলোঁ। দ্বিতীয় দিনা ৰাতিপুৱা হোটেলত ব্ৰেকফাষ্ট কৰি ভ্ৰমণত ওলাওঁ, দ্বিতীয় দিনৰ ভ্ৰমণ কাৰ্য্যসূচীত আছিল তামিলনাডুৰ অন্যান্য হিল ষ্টেচন কন্নোৰ। কন্নোৰত উপস্থিত হৈ পোনপ্ৰথমে আমি পৰিদৰ্শন কৰোঁ বলীউডৰ সৰ্বাধিক ছবিৰ শ্বুটিং হোৱা ডলফিন নোজ ভিউ পইণ্ট, তাৰপাছত চাহবাগিছা, ষ্টৰেৰী পাৰ্ক, শ্লিপিং লেডী ভিউ লগতে ছিম গাৰ্ডেন পৰিভ্ৰমণ কৰি দ্বিতীয় দিনাৰ ভ্ৰমণসূচী সামৰোঁ। তৃতীয় দিনা দিনৰ ১১ বজাত হোটেল ত্যাগ কৰি আমি তৃতীয় দিনৰ ভ্ৰমণসূচীত উল্লেখ দক্ষিণ ভাৰতৰ নীলগিৰি পাহাৰ স্থিত আটাইতকৈ ওখ শৃংগ দোডাবেটা শৃংগত উপস্থিত হওঁ, তাৰপাছত চাহ উৎপাদন কাৰখানা, চকলেট কাৰখানা, গোলাপৰ উদ্যান আৰু বলীউডৰ বিখ্যাত ছবি মেইনে পিয়াৰ কিয়াৰ শ্বুটিং হোৱা বটানিকেল উদ্যান ভ্ৰমণ কৰি সন্ধিয়া ৬ বজাত উটি বাছ আস্থানত উপস্থিত হওঁ, উটিৰ পৰা বেংগালুৰু লৈ উভতিবলৈ নৈশ বাছৰ টিকট আমি অনলাইন যোগে কাটি ৰাখিছিলোঁ। ৰাতিপুৱা ৬ বজাত আমি নৈশ বাছ যোগে উটিৰ পৰা বেংগালুৰু উপস্থিত হওঁ। তাৰপৰা অটো এখন ভাড়া কৰি আমি ততাতৈয়াকৈ বেংগালুৰু বিমানবন্দৰত উপস্থিত হওঁ কাৰণ আমাৰ বেংগালুৰু পৰা গুৱাহাটীলৈ উৰাজাহাজেৰে উভতাৰ সময় ৰাতিপুৱা ৯ বজাত আছিল। দিনৰ ১২:৩০ বজাত আমি গুৱাহাটী বিমানবন্দৰত উপস্থিত হওঁ আৰু ইয়াত আমাৰ ভ্ৰমণ যাত্ৰা সমাপ্তি হয়। প্ৰথমবাৰৰ বাবে আমি ইমান দূৰলৈ যাত্ৰা কৰোঁতে বহু তিতা মিঠা অভিজ্ঞতা হ'ল যদিও বহু নজনা কথা জনাৰ সৌভাগ্য হ'ল।

# জলবায়ুৰ পৰিবৰ্তন আৰু ইয়াৰ লগত সহবাস

বতৰৰ পৰিবৰ্তন বুলিলে সাধৰণতে আমাৰ মনলৈ আহে গৰমৰ পৰা ঠাণ্ডা বা ঠাণ্ডাৰ পৰা গৰম। ফৰকাল বতৰ, সেমেকা বতৰ, গোমা বতৰ আদি। দীৰ্ঘসময় বতৰৰ পৰিবৰ্তনৰ হাৰ হৈছে জলবায়ু, বৰ্তমান জলবায়ু পৰিবৰ্তন হ'ব ধৰিছে। জলবায়ুৰ পৰিবৰ্তন হোৱাৰ বিভিন্ন কাৰণ আছে । আমি আমাৰ প্ৰাকৃতিক



সম্পদ সমূহ ধ্বংস কৰাৰ ফলতে জলবায়ু পৰিবৰ্তন হ'ব ধৰিছে। কয়লা খনি, শিল ভাঙি, পাহাৰ পৰ্বত খান্দি গছ গছনি কাটি মানৱে ধ্বংস লীলা কৰি আছোঁ । নীলিম আকাশৰ তলত শ্যামলিমা শোভা বিলাই জগত বিমোহিত কৰা সেউজীয়া অৰণ্যবোৰ হ'ল জীৱ জগতৰ প্ৰাণস্বৰূপ। বিশ্বৰ সকলো জীৱই অৰণ্যৰ ওপৰতেই নিৰ্ভৰশীল। ঋষি মুণি সকলেও অৰণ্যৰ মাজতে ধ্যান- ধাৰণা কৰি গৈছে। ভাৰতীয় সংস্কৃতি মূলতঃ অৰণ্যক কেন্দ্ৰ কৰিয়ে গঢ় লৈ উঠিছিল। গংগা, যমুনা, গোদাৱৰী মহানদীৰ পাৰত অপৰূপ সেউজবুলীয়া অৰণ্যৰ বৰ্ণনা বেদ উপনিষদত বিদ্যমান। ভগৱান শ্ৰীকৃষ্ণৰ যমুনা নৈ, কদম গছ যোল্লশ গোপীৰ মন মুহি নিয়া বৃন্দাবন মনোৰম কাহিনীৰে পূৰ্ণ। গয়াৰ ওচৰৰ উপবনৰ বতবৃক্ষৰ ছায়াতেই গৌতম বুদ্ধৰ বৌদ্ধত্ব প্ৰাপ্ত হৈছিল।

সাম্প্ৰতিক সময়ত অৰণ্য ধ্বংস এক ভয়াবহ সমস্যাত পৰিণত হৈছে । যাৰ ফলত ভালুকে হাঁহ- কুকুৰা গৰালৰ পৰা ধৰি খোৱা, বান্দৰে ঘৰৰ ভিতৰত সোমাই চৰুৰ ভাত খোৱা, বাৰীত ফল- মূল বান্দৰৰ উৎপাতত মানুহে খাবলৈ নোপোৱা হৈছে । নহ'বই বা কিয় সিহঁতৰ বাসস্থান খাদ্য বস্তু জীৱশ্ৰেষ্ঠ মানুহে ধ্বংস কৰিছে।

জীৱৰ জীৱন ধাৰণৰ বাবে নিৰ্মল অম্লজান গেছৰ যোগান ধৰি গছে জীৱন নাশী কাৰ্বনডাইঅক্সাইড গেছ শুহি লয় অৰ্থাৎ গছে নিজৰ খাদ্য প্ৰস্তুত কৰে সূৰ্য্যৰ পোহৰৰ সতে সালোক সংশ্লেণ পদ্ধতিৰে কাৰ্বহাইড্ৰেট আৰু অক্সিজেন উৎপন্ন কৰে। ধূলি ধোঁৱাৰ প্ৰদুষণ হ্ৰাস কৰে। গছে ফল ফুলৰ যোগান ধৰে। বন ধ্বংস এটা ভয়াবহ সমস্যা হৈ দেখা দিছে । পাঁচ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি অহা হৈছে। সজাগতা মূলক সভা অনুষ্ঠিত কৰা হয় বৃক্ষ ৰোপণৰ ওপৰত গুৰুত্ব আৰোপ কৰি। অলপতে চৰকাৰে এক কোটি বৃক্ষৰোপন কৰি বিশ্ব অভিলেখ গঢ়াৰ প্ৰচেষ্টা গ্ৰহণ

**ইভা গন্ধীয়া ফুকন**

কৰিলে। গছপুলি ৰোপণ কৰি "অমৃত বৃক্ষ আন্দোলন" এপত গৈ গছপুলি ৰোপণৰ ফটো আপলোড কৰা হ'ল। এইখিনিলৈকে ঠিকেই আছে। কিন্তু তাৰ পিছত ৰোপণ কৰা গছপুলি সমূহ বাচি আছে নে তাৰ খবৰ ৰাখোঁ কিমানে। চৰকাৰৰ পদক্ষেপ সলগণীয়। চৰকাৰে এনেধৰণৰ পদক্ষেপ ল'ব লগা হৈছে কিয় ই চিন্তনীয় বিষয়। ক্ষুদ্ৰস্বাৰ্থ পূৰণৰ বাবে কিছু স্বাৰ্থ লোভীয়ে অৰণ্য ধ্বংস কৰি পাহাৰ পৰ্বত কাটি শেষ কৰিছে । বিনন্দীয়া ধৰিত্ৰীৰ আমি আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে কি এৰি থৈ যাম । প্ৰকৃতি আৰু জীৱ ইটোৱে সিটোৰ পৰিপূৰক বুলি ক'ব পাৰি।

বৰ্তমান যুগত উদ্যোগীকৰণ আধুনিকীকৰণ ইত্যাদি সভ্যতাৰ অগ্ৰগতিৰ নানানটা কাৰণত বন ধ্বংসৰ দৰে নিকৃষ্ট কৰ্ম সংঘটিত কৰাত পৰিস্থিতিতন্ত্ৰত বিৰূপ প্ৰভাৱ পৰিছে। বন ধ্বংসৰ ফলত গ্ৰীণ হাউচ আদিৰ পৰা নিৰ্গত গেছৰ শোধন নোহোৱাত অস্বাভাৱিক ভাৱে গোলকীয় উষ্ণতা বৃদ্ধি পোৱাত জীৱ জগতৰ বিপদ চৰম সীমাত উপনীত হৈছে । বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধিৰ ফলত মৰুভূমি ক্ৰমাৎ বৃদ্ধি হৈছে । পদুষণ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত বৰফ গলিব ধৰিছে । সাগৰ পৃষ্ঠৰ উত্তাপ বৃদ্ধিয়ে জীৱজগতৰ বাবে গভীৰ সমস্যাৰ সৃষ্টি কৰিছে। বন ধ্বংসৰ ফলত হোৱা প্ৰদূষণৰ বাবে ক্লৰ'ফ্লৰ কাৰ্বন গেছ মুক্ত হৈ বায়ুমণ্ডলৰ অজন স্তৰত সুৰুঙাৰ সৃষ্টি কৰিছে । যি জীৱজগতৰ বাবে অতি মৰাত্মক আল্ট্ৰাভায়লেট ৰশ্মি বা অতী বেঙুনীয়া ৰশ্মিক পৃথিৱীলৈ অহাত সহায় কৰিছে ।

ভূগৰ্ভৰ পানীৰ পৰিমাণ কমি আহিছে। আগতে এশ ফুট তলত যদি পানী পাব পাৰিছিল বৰ্তমান দেৰশ - দুশ ফুট তলত হে পানী পাব পৰা হৈছে। মহানগৰী সমূহত বাস কৰা লোকে বাৰুকৈয়ে পানীৰ সমস্যাত ভোগীব লগাত পৰিছে । ভৱিষ্যত প্ৰজন্মৰ বাবে ভাবুকিৰ সৃষ্টি হৈছে। জলবায়ু পৰিবৰ্তন পাৰদৰ্শিতাত ভাৰত সপ্তম স্থানত। ২০২২ বৰ্ষত ভাৰতৰ স্থান আছিল অষ্টম। গোলকীয় উষ্ণতা বৃদ্ধিৰ মোকাবিলা কৰিবলৈ ভাৰতে গ্ৰহণ কৰা নিৰন্তৰ কেতবোৰ ইতিবাচক পদক্ষেপৰ কাৰণে চি চি পি আই ক্ৰমাগত ভাৱে উন্নত হৈ আহিছে । ৰাষ্ট্ৰসংঘৰ শেষতীয়া ক'প ২৮ সন্মিলনত সৰ্বসন্মতি ক্ৰমে পৰিচ্ছন্ন শক্তিক অধিক প্ৰাধান্য দি জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰাৰ চুক্তি স্বাক্ষৰিত হৈছে । তদুপৰি জলবায়ু পৰিবৰ্তনেৰে অধিক ক্ষতিৰ সন্মুখীন হোৱা উন্নয়নশীল দেশ সমূহক বিত্তীয় সাহায্য প্ৰদানৰ কাৰণে সিধান্ত গ্ৰহণ কৰা হয়।২০৩০ চনলৈ গ্ৰীণ হাউচ নিৰ্গমন ৫০ শতাংশ হ্ৰাসৰ ক্ষেত্ৰতটো অংগীকাৰবদ্ধৰ কথাও প্ৰকাশ কৰা হৈছে । সেউজ জলবায়ু পুঁজি গঠন, জলবায়ু পৰিবৰ্তনৰ কাৰণ সমূহ চিনাক্ত আদি একাধিক দিশতো অগ্ৰাধিকাৰ দিছে ।


জলবায়ু সন্মিলন ক'প ২৮ৰ উদ্বোধনী অনুষ্ঠনত অংশগ্ৰহণ কৰি প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে যে পেৰিছ জলবায়ু চুক্তি অনুসৰি কাৰ্বন নিৰ্গমনৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যত ভাৰতে নিয়ন্ত্ৰণৰ প্ৰয়াস অব্যাহত ৰাখিছে। উল্লেখ্য, পেৰিছ জলবায়ু সন্মিলনত গোলকীয় উষ্ণতা ২ ডিগ্ৰী চেলচিয়াছ হ্ৰাসৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। পৰবৰ্তী সময়ত ১.৫ ডিগ্ৰী চেলচিয়াছলৈ হ্ৰাসৰ সংকল্প লোৱা হয় । সম্প্ৰতি বিশ্বৰ ১৭ শতাংশ জনসংখ্যাৰ দেশ ভাৰতে ৫০ শতাংশ কম কাৰ্বন নিৰ্গমন কৰিবলৈ সক্ষম হৈছে। সেয়েহে ভাষণ প্ৰসংগত প্ৰধামন্ত্ৰী মোদী ডাঙৰীয়াই প্ৰকাশ কৰা অনুসৰি ২০৩০ বৰ্ষৰ ভিতৰত ভাৰতে কাৰ্বন নিৰ্গমনৰ হাৰ বা গ্ৰীণ হাউচ গেছ নিৰ্গমনৰ হাৰ ৪৫ শতাংশ হ্ৰাস কৰাৰ বাবে অংগীকাৰবদ্ধ।

আমি কি কৰিব পাৰো বা কি কৰা উচিত ভৱিষ্যত প্ৰজন্মৰ বাবে - ভাৰতত গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ু পৰিবৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰই সময়ে সময়ে বিভিন্ন জলবায়ু নীতি, সিধান্ত বা লক্ষ্য গ্ৰহণ কৰি আহিছে । হ্ৰাস কৰণ (Reduce) কিছু সামগ্ৰী যিমান প্ৰয়োজন সেইখিনিহে ল'ব লাগে। ধৰক আমাৰ পিন্ধা কাপোৰ কানিয়ে যিমান হ'লেও মন নভৰে। নতুন ডিজাইনৰ কাপোৰ এযোৰ দেখিলেই কিনাৰ ইচ্ছা জাগে । কাপোৰ যোৰ প্ৰস্তুত কৰিবলৈ কিমান কি ইন্ধনৰ প্ৰয়োজন আৰু তাৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য সমূহৰ বিষয়ে আমি চিন্তা নকৰোঁ । তাৰ পৰা কিমান পদুষণ হৈছে সেইটো চিন্তা কৰাৰ সময় আহি পৰিছে । বস্তুটোৰ চাহিদা যদি কমাই দিওঁ কিঞ্চিৎ হ'লেও পদুষণ কমিব । পেলনীয়া বস্তু ব্যৱহাৰ ( Re-cycle) কিছুমান বস্তু পেলাই নিদি তাক আকৌ ন ৰূপ দি ব্যৱহাৰ কৰিব পাৰো। ভাল হৈ থকা পিন্ধি আমনি লগা কাপোৰ কানি দৰিদ্ৰ জনক দান দিব পাৰো । কিছুমান সামগ্ৰীৰ পৰা নতুন ডিজাইন কৰি ব্যৱহাৰ কৰিব পাৰো । পুনৰ ব্যৱহাৰ (Reuse) পলিথিন ব্যৱহাৰৰ পৰা বিৰত থাকিবলই আইন প্ৰণয়ন কৰাৰ পাছতো আমি জানো তাক ত্যাগ কৰিব পাৰিছো ? পলিথিনৰ ব্যৱহাৰ তেতিয়াহে কমিব যেতিয়া আমি বজাৰলৈ গ'লে হাতত মোনা এটালৈ যাবলৈ লজ্জাবোধ নকৰিম। পলিথিন পেলাই বা জ্বলাই দিলে প্ৰদূষণৰ সৃষ্টি হয় । এটা পলিথিন মাটিৰ লগত মিলিবলৈ বহু বছৰৰ প্ৰয়োজন আৰু জ্বলাই দিলে কাৰ্বন নিৰ্গত হৈ বায়ুমণ্ডল দুষিত কৰে। ইয়াক আমি পুনৰ ব্যৱহাৰ কৰিব পাৰোঁ। জধে মধে স্থাপন হোৱা কল- কাৰখানা সমূহৰ প্ৰদুষণ নিয়ন্ত্ৰণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো লক্ষণীয় বিষয় কল- কাৰখানা সমূহৰ পৰা অদৰকাৰী তেল বা ৰাসায়নিক দ্ৰব্য আদি নলাৰে নদীত পেলায় । যাৰ ফলত মাছ - কাঁছ নাইকীয়া হৈছে। নদীৰ পানী বিযাক্ত হৈ পৰিছে । কল- কাৰখানাৰ পৰা পেলাই দিয়া অদৰকাৰী ৰাসায়নিক দ্ৰব্য আদি প্ৰযুক্তি প্ৰয়োগ কৰি পুনৰ ব্যৱহাৰৰ পদক্ষেপ লোৱা দৰকাৰী। জনসাধাৰণৰ এই ক্ষেত্ৰত সতৰ্কতা, সচেতনতা আৰু সজাগতাৰ খুবেই প্ৰয়োজনীয়তা আহি পৰিছে।

অণুগল্প

## সাক্ষী

**যুগান্ত দাস,ভৱানীপুৰ,বৰপেটা**



য'ত য'ত প্ৰশ্নৰ উৎপত্তি হয় তাতেই উত্তৰো লুকাই থাকে। তেনে এটা প্ৰশ্নৰে আজি সাগৰিকাই উত্তৰ বিচাৰি পালে। শাহুৱেকৰ পৰা তাই আজি দহ বছৰে মাতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত হ'ব নোৱাৰাৰ বাবে যি কৰ্কথনা শুনি আহিছিল তাৰ বাবে তাই কোনো ফালৰ পৰাই অক্ষম নাছিল। তাইৰ অক্ষমতা থাকিলে আজি তাইৰ গৰ্ভত ভ্ৰূণে থিতাপি নল'লেহেতেন। তাইৰ গৰ্ভত বাঢ়িব ধৰা ভ্ৰূণেই সেই কথাৰ সাক্ষী। শাহুৱেক তথা সমাজৰ ইতিকিঙবোৰেই তাইক অম্লানৰ ওচৰ চপাই নিছিল।

## আপোন

**ৰুক্মিণী দাস শ্ৰীহাটী**



হিয়াৰ মৃত্যুৰ খবৰটো পাই গিৰিয়েক ৰতন শোকত ম্ৰিয়মান হৈছিল ।কাৰণ ঘৰখনত একমাত্ৰ সিহঁত হালেই আছিল । সি বলীয়াৰ দৰে হল, কি কৰিব কি নকৰিব, কাৰ আশাত সি বাৰু জীয়াই থাকিব ? এদিন কোনেও নজনাকৈ ৰতনে ওচৰৰত নৈ খনকে আপোন কৰি ল'লে।

# মাজনিশাৰ আৰ্তনাদ



**মুন শৰ্মা, লখিমপুৰ**

দেউতা তুমি ক'ত আছা, দেহা "মই গৈ আছোঁ দেই। ছোৱালী জনীৰ ফোনটো কাটি, ঘৰলৈ বুলি ওলাইছিল মাত্ৰ, আকৌ ফোন বাজি উঠিল এটা অচিনাকি ফোন ক'ল, ৰিচিভ কৰিছিলহে অফিচাৰ অভিজিতে, একো ক'ব নেপালেই, সিটো মূৰৰ পৰা ভাহি আহিল এটা সময় শঙ্কাৰ মাজেৰে অহা যেন কেইটামান শব্দ, ছাৰ মোক সহায় কৰক মোক মাৰি পেলাব এতিয়া, কথা কেইটা শুনি ক'ত! কোনে! কি! সুধিলে অভিজিতে, কিন্তু উত্তৰ নাহিল। মাত্ৰ এটি আৰ্তনাদহে শুনিব পালে। ফোন কাট নাখালে কিন্তু কোনো কথা উভতি নাহিল, চিন্তিত হৈ পৰিল অভিজিত, বিভিন্ন প্ৰশ্ন মনলৈ আমি আহিল আৰু উত্তৰ বিচাৰি হাহাকাৰ কৰি উঠিল তাৰ মন। সিফালে আকৌ চি আই ডি অফিচাৰ। অনুসন্ধানকাৰী চৰিত্ৰ এটা আছেই। আকৌ জীয়েকৰ জন্মদিন, আজি কিমান যে আমনি কৰিলে দেউতা তুমি আজি মোৰ লগত থাকিব লাগিব ক'তো যাব নোৱাৰা, পত্নীৰো একেই কথা আজি ঘৰৰ পৰা ওলাই যাব নিদিয়ে। তথাপি বহুত কাম পৰি থকাত বুজাই মেলি কামলৈ ওলাই আহিল, সোনকালে উভতি অহাৰ কথা দি। এতিয়া কি হ'ব, ছোৱালী জনীক বিচাৰি ওলালেই ঘটনাই অন্য দিশে গতি কৰিব।

কি কৰো! মহা সংকট, , নাই ছোৱালী জনীক বিচাৰি যোৱাটো ঠিক হ'ব নিজৰ পৰিয়ালক সদায় পাম কিন্তু ছোৱালী জনী যদি কিবা হৈ যায় তাইৰ জীৱনটো জানো আকৌ ঘূৰাই আনিব পাৰিম। তাতে এজন নিৰাপত্তা ৰক্ষী হিচাপে এইয়া মোৰ দায়িত্ব। হয় মই অভিজিতে কৈছোঁ, এই ফোন ক'লটো কৰ পৰা আহিল! আৰু কোনে কৰিলে! সকলো কথা মোক এতিয়াই লাগে, অফিচলৈ ফোন কৰি, সকলো জানিলৈ ৰাওনা হ'ল সেই ঠাই লৈ।

দেউতা তুমি অহাইনাই যে, গৈ আছোঁ ৰবা দেই, আৰু দুটামান মিছা কথা কৈ ফোন ৰাখি সেই ছোৱালী জনীক বিচাৰি ওলাল। এইয়া কি! এনেকুৱা ঠাই পৰা ছোৱালী জনী ! কথা বোৰ ভাবি অবাক হৈ পৰিল, কোনো জনপ্ৰাণী নাই, দূৰ দুৰণি লৈ আছে মাথোঁ অৰণ্য, কি কৰা যায়,! একো উত্তৰ বিচাৰি নাপালে অভিজিতে। তথাপি ভিতৰলৈ সোমাই গ'ল, বিচাৰি ফুৰিলে কিন্তু কতো একো নেদেখিলে মাত্ৰ কিছুমান অদ্ভুত শব্দ শুনিব পালে।

ৰাতিপুৱা হৈ যোৱাত অভিজিতৰ পত্নীৰ খং। বৈ আছে বহু দিন নকওঁ বুলি ভাবি থকা কথা বোৰ আজি কম বুলিয়েই সিদ্ধান্ত লৈছে। অকল কাম, নিজৰ ঘৰ পৰিয়াল বুলিব নাই নেকি, অকণমান হলেও চিন্তা কৰিব সময় নাই তেখেতৰ। সিফালে আবেলি হৈ গ'ল গৈ ঘৰলৈ যোৱাই নাই অভিজিত তেওঁৰ মনত অকল ছোৱালী জনীৰ কথা, বাহিৰে বাহিৰে অফিচ লৈ আহি আকৌ তালৈ ৰাওনা হ'ল। আশে পাশে থকা মানুহক সুধি গম পালে যে এই অৰণ্যলৈ মানুহ নাযায়। বেয়া বস্তুৰ বাসস্থান, ৰাতি, ৰাতি অদ্ভুত শব্দ শুনিব পাই, আৰু বহুতো মানুহক পুৱা মৰি থকা দেখে। আচল কথাটো কি অভিজিতে একো ধৰিব পৰা নাই, ভুত বিশ্বাস নকৰে সি, কিবা এটা আছে যদি সি মানুহেই হ'ব। ৰাতি হোৱা লৈ অপেক্ষা কৰিলে তাৰ আগে আগে ঘৰলৈ এপাক আহিল, জীয়েক আৰু পত্নী আগত মুখ উলিয়াব পৰা নাই, জীয়েকে নামতে পত্নী কথা শুনি একো ক'ব পৰা নাই। দুখে হেঁচা মাৰি ধৰা মনটোক সান্ত্বনা দি, সি গুচি আহিল, সেই ঠাই খন পোৱাৰ পাছতে, গাঁওৰ মুখিয়াল জনক লগ ধৰিলে। সকলো কথা জনালে, আৰু সহায় বিচাৰিলে, মুখিয়াল জনে সহায় নকৰে সিফালে ওচৰৰ থানা খনৰ আৰক্ষী সকলো সহায় কৰিব নোৱাৰোঁ বুলি কলে চি আই ডি অফিচৰ পৰা ও সহায় পোৱাত তাৰ অসুবিধা আহি পৰিল, তথাপি, অলপ সাহসী বিষয়া সি অকলেই ওলাল।

আন্ধাৰ লাহে লাহে গভীৰ হ'ল। এটা দুটাকৈ সেই অদ্ভুত শব্দ আহিব ধৰিলে, ভয় লাগিল কাৰণ সি এই অৰণ্যত অকলে হঠাৎ তাৰ চকুত পৰিল সি লৈ যোৱা সামান্য পোহৰৰ দ্বাৰাই, এটা ঘৰত, যিটো ঘৰ গোটেই গাঁও বাসীৰ বাবে ভয়ৰ কাৰণ, সেই অদ্ভুত ঘৰ টোৰ পৰাই আহে এই শব্দ বোৰ, মাজ নিশা এজনী নাৰীৰ কৰুণ আৰ্তনাদ। মৰণত সৰণ দি সি আগুৱাই গৈ থাকিল, খুব সাৱধানে ভিতৰলৈ সোমাই গ'ল, হৈয়েই যি দেখিলে সেয়া সি ভাবিব নোৱাৰা।

এজন বাবা তাৰ আগত এজনী ছোৱালী সম্পূৰ্ণ নগ্ন, হাত ভৰি বন্ধা, কিবা কিবি মুখেৰে মাতি আছে, ছোৱালী জনীয়ে কৰুণ ভাবে প্ৰাণ ভিক্ষা কৰিছে। বাবা জনে এখন ডাঙৰ দা লৈ আহি তাইক বলি দিবলৈ চেষ্টা কৰিছে।, পলম নকৰিলে সি, হাতত থকা বন্ধুক পৰা এক জাই গুলী ফুটাই, বাবাৰ হাতৰ দা খন হাতৰ পৰা উফৰাই দিলে, গৰজি উঠিল সি, অভিজিতলৈ খেদি আহিল । আকৌ পলম নকৰি ভৰিত গুলি চালনা কৰি তাক বগৰাই দিলে, এই বোৰ কি কৰিছ, কিয় কৰিছ, কথাবোৰ সুধি সুধি তাক মাৰপিট কৰিব ধৰিলে আৰু ছোৱালী জনীক অভিজিতে নিজৰ চোলা টো খুলি তাইৰ নগ্নতা ঢাকি দিলে। সকলো কথা গম পালে নাৰীক বলি দিয়া বাবা টোৰ দ্বাৰা আৰু ই কাৰ্য্য কৰাই গাঁৱৰ মুখিয়ালে, যোৱা দুটা বছৰ এই কাৰ্য্য চলি আছে ।আৰু এই নাৰী জনী গাঁৱৰ ছোৱালী, গাঁৱৰ মুখিয়ালে তাইক প্ৰথমে ডাইনী সজালে, পাছত বিভিন্ন অত্যাচাৰ কৰি ইয়াত ৰাখিলে ৰাতিপুৱা মোৰ কথাবোৰ গম পাই তেওঁক অন্ত কৰাৰ সিদ্ধান্ত ললে।ওচৰৰ পুলিচ প্ৰশাসনে এইবোৰ জানি ও একো নকৰে কাৰণ গাঁৱৰ মুখিয়ালে সকলোকে কিনি ৰাখিছে। লগতে গম পালে অলপ আগত অহা বাটত আকস্মিক আক্ৰমণ তাক কোনে কৰিছিল অন্য কোনো নাছিল সেইয়া আছিল গাঁৱৰ মানুহ।

অন্ধ বিশ্বাস কবলত পৰি আজিও নৰ বলি দিয়ে এই গাঁৱৰ মানুহে বাহিৰৰ মানুহ ধৰি আনি। হাই দুৰ্ভাগ্য আজিৰ সমাজত অকল নৰ বলি নেকি আৰু যে কি কি অন্ধ বিশ্বাস চলি আছে যিয়েই কৰি আছে মানৱ জাতিক উন্নতিৰ পথত হেঙাৰৰ কাম। অন্ত কৰিব লাগিব সেইবোৰ নহলে কি হ'ব অলপ ভাবিব।

# আত্মোপলব্ধি আৰু আত্মসমালোচনা এক জীৱন দৰ্শন

**ৰুহুল আমিন**
**সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, বাঘবৰ**

আমি জীৱনটোত কেনেকৈ শান্তিপূৰ্ণভাৱে জীয়াই থাকিব পাৰি তাৰ বাবে বিভিন্ন দাৰ্শনিক ধাৰণা উপলব্ধ আছে। তাৰেই দুটা গুৰুত্বপূৰ্ণ ধাৰণা হ'ল আত্মোপলব্ধি আৰু আত্মসমালোচনা। এই বিশেষ ধাৰণা দুটাই আমি নিজকে ভালদৰে বুজি উঠি সেইমতে জীৱনত অগ্ৰগতি লাভ কৰাত সহায় কৰে। ইয়াত আছে এনে এক চিন্তাৰ স্ৰোত যিয়ে নেকি আমাৰ জীৱনৰ গতি সলাই দিব পাৰে। নিজৰ ভাল-বেয়া বিবেচনা কৰা আৰু তাক আন্তৰিকতাৰে উপলব্ধি কৰাৰ মাজত থাকে এক ঐশ্বৰিক প্ৰশান্তি।

আত্ম-আৱিষ্কাৰৰ সকলোখিনিয়েই হৈছে আমি প্ৰকৃততে গভীৰভাৱে কোন সেইটো বিচাৰি উলিওৱা। যিদৰে পিঁয়াজৰ তৰপবোৰ খোলা কৰি তাৰ গুৰি বিচাৰি উলিওৱা হয়। ইয়াৰ অৰ্থ হ'ল আমি প্ৰকৃততে কিহত বেছি গুৰুত্ব দিওঁ আৰু কি কামত ভাল সেই বিষয়ে এক নিৰপেক্ষ বিচাৰ বিবেচনা থাকিব লাগে। যদিও এইটো সদায় সহজ নহয়, কিন্তু ইয়ে আমাক আমাৰ প্ৰকৃত স্বৰূপৰ সৈতে মিল থকা বিষয়সমূহ বাছনি কৰাত সহায় কৰে। এইদৰে আমি আমাৰ ভৱিষ্যতৰ কাৰ্যপন্থা নিৰ্ধাৰণ কৰি এক মজবুত ভেটি গঢ়ি তুলিব পাৰি।

কিন্তু এই আত্মোপলব্ধি সঠিক হোৱা দৰকাৰ। আমিও নিজকে সৎভাৱে চাব পৰাটো গুৰুত্বপূৰ্ণ আৰু আমি ক'ত ভাল কাম কৰিব পাৰো সেয়া চাব পৰাটো আৰু বেছি প্ৰয়োজনীয়। ইয়াক আত্মসমালোচনা বোলা হয়, যত থাকে ভাল-বেয়া, ভুল-শুদ্ধৰ সঠিক বিশ্লেষণ। নিজৰ কৰণীয়ৰ ওপৰত কঠিন হোৱাটোৱে শেষ কথা নহয় বৰঞ্চ আমি কেনেকৈ দুৰ্বল দিশটোৰ বৃদ্ধি আৰু উন্নতি কৰিব পাৰো সেইটো বুজি পোৱাটো হে ডাঙৰ কথা। ঠিক যিদৰে আমি বনোৱা এখন ছবি চাই তাক কেনেকৈ আৰু বেছি ভাল কৰিব পাৰো আৰু তাৰ বাবে আমি কি কৰিব পাৰো সেইটোতেই নিহিত হৈ থাকিব ইয়াৰ কৃতকাৰ্যতা।

আত্মোপলব্ধি আৰু আত্মসমালোচনা একেলগে একেটা মুদ্ৰাৰ দুফালৰ দৰে, মানে এটা আনটোৰ পৰিপূৰক। এই দুয়োটা বিষয়ে আমাক বহু প্ৰকাৰে সহায় কৰিব পাৰে; যেনেকৈ-

১) নিজকে ভালদৰে জনাঃ আত্মোপলব্ধিয়ে আমাক বুজিবলৈ সহায় কৰে যে আমি কোন, আৰু আত্মসমালোচনাই আমাক শিকাই আমি কি ভালকৈ কৰিব পাৰো। ইয়াৰোপৰি আমাৰ সৱল আৰু দুৰ্বল দুয়োটা দিশ বিবেচনা কৰি আমাৰ নিজস্ব অস্তিত্ব জাহিৰ কৰাত সহায় কৰে। অৰ্থাৎ ইয়াৰ যোগেদি আমি নিজকে ভালদৰে জানিব পাৰি।



২) প্ৰতিদিনে ভাল হোৱাঃ ভুলৰ প্ৰতি বেয়া অনুভৱ কৰাৰ পৰিৱৰ্তে আত্মসমালোচনাই আমাক তাৰ পৰা শিকিবলৈ আৰু অধিক শক্তিশালী হ'বলৈ সহায় কৰে। অৰ্থাৎ আমি কেনেকৈ প্ৰতিদিনে ভাল হৈ গৈ থাকিব পাৰোঁ সেই ক্ষেত্ৰত আত্মোপলব্ধি আৰু আত্মসমালোচনাই এক মাইলৰ খুটি হিচাপে কাম কৰে।

৩) জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাঃ নিজকে জানি আৰু ক'ত উন্নতি কৰিব লাগে সেইটো গ্ৰহণ কৰি আমি জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাত অধিক স্থিতিস্থাপক হৈ পৰো। উপৰোক্ত ধাৰণা দুটাই আমাক জীৱনৰ সমস্যাসমূহৰ প্ৰতি অধিক স্থিতপ্ৰজ্ঞ সিদ্ধান্ত লোৱাত সহায় কৰে। আমাৰ নিজস্ব সত্তাটোক জনাৰ

*(আঠপৃষ্ঠাত চাওক)*

**শিশুগল্পঃ**

# মানৱতাৰ বিৰল দৃশ্য

**সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ**

প্ৰদীপে এবাৰ দেউতাকৰ সৈতে বাবে অনাথ আশ্ৰমলৈ গৈছিল । আশ্ৰমখনৰ নাম আছিল “প্ৰজ্ঞাৰ সাধনা” দেউতাকে প্ৰত্যেক মাহে সেই আশ্ৰমলৈ যায়, কিয়নো তেখেত সেই আশ্ৰমখনৰ এগৰাকী পৃষ্ঠপোষক। প্ৰদীপে অনাথ আশ্ৰম মানেনো কি, এতিয়াও নাজানে। গাড়ীখন গেটৰ সন্মুখত ৰাখি দুয়ো ভিতৰলৈ গ'ল। তাত থকা বেছিভাগ ল'ৰা-ছোৱালীয়ে প্ৰদীপৰ সমবয়সী, পাঁচ -ছয় বছৰীয়া। তাৰ বৰ আনন্দ লাগিছে সকলোকে লগ পাই। বিদ্যায়লৰ বাহিৰে ঘৰত তাৰ কোনো বন্ধু নাই । মাকে বাহিৰত গৈ খেলিব নিদিয়ে আনকি ওচৰ- চুবুৰীয়াৰ ল'ৰা- ছোৱালীৰ লগত গৈয়ো খেলিব নিদিয়ে। তাত সি দেখিছে, প্ৰত্যেকে নিজৰ কামবোৰ নিজেই কৰি আছে। কোনোবাই বিচনা ঠিক কৰিছে, কোনোবাই মুখ - হাত ধুই ৰাতিপুৱাৰ জলপান গ্ৰহণ কৰিছে, কোনোবাই ছুৱেটাৰ পিন্ধিছে আন কোনোবাই পঢ়ি আছে । চাৰিওফালে চকু ফুৰাই সি ভাবনাত বিলীন হৈ গ'ল...তাক দেখোন ভাত খুওৱাৰ পৰা আদি কৰি বেগত টিফিন ভৰোৱালৈকে সকলোবোৰ কাম মাকে কৰি দিয়ে। ইহঁতৰ মা-দেউতা নাই নেকি? কিয় ইয়াত থাকে? কিয় সকলোখিনি কাম নিজেই কৰিছে? নানান প্ৰশ্নৰ জোৱাৰ উঠিছে তাৰ কণমানি মনত, ওভতাৰ সময়ত দেউতাকক সুধিব বুলি ভাবিলে। শিশু মাত্ৰেই প্ৰশ্নৰ সাগৰ, সিয়ো তাৰ ঊৰ্ধত নহয় । সি তেতিয়াই ঠিৰাং কৰিলে যে আজিৰ পৰা তাৰ কামবোৰ নিজেই কৰিব, বেগত কিতাপ ভৰোৱাৰ পৰা আদি কৰি সকলোবোৰ... তেতিয়াই দীপু নামৰ ল'ৰা এজনে তাক সুধিলে, তোমাৰ নাম কি ?

-মোৰ নাম প্ৰদীপ। তুমি মোৰ বন্ধু হ'বানে বুলি কৈ সি হাতখন আগবঢ়াই দিলে, ফ্ৰেণ্ডচ্?

- দীপুয়ে আনন্দমনে তাৰ লগত হেণ্ডচেক কৰিলে আৰু লগৰ সকলোৰে লগত তাক পৰিচয় কৰাই দিলে। আজি প্ৰদীপ সীমাহীন আনন্দৰ গৰাকী হৈছে। সকলোৱে তাৰ বন্ধু হ'ল। কিছু সময় সিহঁতৰ লগত থাকিয়ে সকলোকে আপোন কৰি লৈছে, তাত থকা ল'ৰা - ছোৱালীবোৰেও বৰ আনন্দ পালে তাৰ লগতবন্ধুত্ব গঢ়ি।

এনেতে দেউতাকে তাক মাতিলে, “মৰম ব'লা আমি যাওঁ।” তাক ঘৰত মৰম বুলি মাতে ।

- ৰ'বা দেতা গৈছোঁ বুলি কৈ সিহঁতক বাই বাই, ছী ইউ এগেইন বুলি কৈ গুচি আহিল।

তাৰ পৰা ওভতাৰ সময়ত সি দেখিলে পদপথত ল'ৰা এজনে কঁপি-কঁপি বেলুন বিক্ৰী কৰিছে । সি হঠাতেই চিঞৰি উঠিল, “ ৰ'বা ৰ'বা দেতা অলপ ৰখাচোন গাড়ীখন।”

- কি হ'ল মৰম ?

- আহাচোন মোৰ লগত । সি দেউতাকৰ হাতত ধৰি ৰাস্তাটো পাৰ হৈ সেই ল'ৰাজনৰ ওচৰলৈ গ'ল । দেখিলে যে ল'ৰাজনৰ গাত ঠাণ্ডা নিবাৰণৰ বাবে ছুৱেটাৰতো নাইয়ে পিন্ধনত শ্বাৰ্টখনো ফটা। ভৰিত জোতা-মোজা দূৰৰ কথা চেণ্ডেল এপাতো নাই । ল'ৰাটোৰ প্ৰতি প্ৰদীপৰ মায়া উপজিল। তাৰ পিন্ধনত থকা ছুৱেটাৰ আৰু জোতাযোৰ খুলি তাক দিলে আৰু তাৰ পৰা বেলুন এটা কিনি ল'লে। দেউতাকে প্ৰত্যক্ষ কৰিছে মানৱতাৰ এক বিৰল দৃশ্য ...কেতিয়া যে ঘৰৰ কণমানটো ইমান ডাঙৰ হৈ গ'ল; ধৰিব পৰা নাই ... আনকি কেনেকৈ তাৰ কোমল হৃদয়ত কৰুণা, দয়া, মায়া, পৰোপকাৰিতাৰ গুণবোৰ পূৰ্ঠ হৈ উঠিছে বুজিব পৰা নাই!




এতিয়াও জীয়াই আছে সত্যাগ্ৰহ। দৰিদ্ৰতাই কোঙা কৰা জীৱনক বৰণ কৰিব পৰা নাই লোভে, স্বাৰ্থপৰতাৰ বৰমালাই। তেখেতে এটা বেলুনৰ মূল্য দহ টকাৰ পৰিৱৰ্তে এশ টকীয়া নোট দিছিল বাবে ল'ৰাটোৱে নল'লে, মাকৰ শিক্ষাক শ্ৰদ্ধা কৰি। সেয়ে গোটেইকেইটা বেলুন উচিত মূল্যৰে কিনি আনিলে। তেখেতৰ দুচকুৰ আগত জলজল পটপটকৈ জিলিকিছে সততাৰ প্ৰতিমূৰ্তিটো।

ঘৰলৈ আহি প্ৰদীপে নিজৰ কামবোৰ নিজেই কৰিবলৈ ল'লে । দুপৰীয়াৰ ভাতসাঁজ নিজ হাতে খালে, কোৱাৰ আগতেই সন্ধিয়া পঢ়িবলৈ বহিলে, গৃহকাৰ্য কৰিলে। হঠাৎ তাৰ ব্যৱহাৰৰ পৰিৱৰ্তন দেখি মাকে আচৰিত হৈ গ'ল!

# প্ৰকৃততে আপুনি যদি সত্য তেন্তে ইয়াৰ প্ৰমাণ দিবলৈ নাযাব

**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**




সঁচা অৰ্থত কবলৈ গ'লে বৰ্তমান সময়ত সকলো বিষয়ৰে মানুহে সত্যতাৰ প্ৰমাণ বিচাৰিবলৈ আৰম্ভ কৰি দিয়ে। কাৰণ বৰ্তমান সময়ত আগৰ তুলনামূলকভাৱে ভুৱা বা মিছলিয়া মানুহবোৰৰ প্ৰাদুৰ্ভাৱ দিন প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ ফলত মানুহৰ মাজত মানসিক শক্তি, আস্থা, বিশ্বাস, ভাতৃত্ববোধ, মৰম, চেনেহ, আত্মীয়তা আদি দিনক দিনে কমিবলৈ আৰম্ভ কৰিছে। এতিয়া ভাল মানুহ, ভাল বিষয়-বস্তু প্ৰতি মানুহৰ আগ্ৰহ কমি অহা পৰিলক্ষিত হৈছে। সেয়েহে আগতে আমি যিবোৰ বিষয়ক ভাল, সত্য বুলি বিবেচনা কৰিছিলোঁ বৰ্তমান সময়ত গৈ গৈ সেইবোৰ বিষয়-বস্তুয়ে মানুহক বেয়া লাগিবলৈ আৰম্ভ কৰিছে। আমাৰ এতিয়াৰ যান্ত্ৰিক জীৱন নিৰ্বাহ প্ৰনালীৰ ফলত বেছি ভাল মানুহ আৰু প্ৰকৃত অৰ্থত বাস্তৱ সত্য কথাবোৰ স্বীকাৰ কৰিবলৈ দুধুৰ-মুধুৰ মানসিকতাৰ সৃষ্টি হ'বলৈ ধৰিছে। কিন্তু ইয়াৰ বাবে একমাত্ৰ জগৰীয়া কোনো ? যদি আমিয়েই মিলি এনেধৰণৰ পৰিস্থিতি উদ্ভাৱন কৰিছোঁ তেন্তে ইয়াৰ সমাধানৰ বাবে কোনে দায়িত্ব গ্ৰহণ কৰিব ?

হ'ব পাৰে আমাৰ বৰ্তমানৰ পৰিবেশ, পৰিস্থিতি আগৰ তুলনাত বহু সালসলনি হৈ পৰিছে। তথাপিও এই সংসাৰৰ খনৰ যিকোনো ধৰণৰ প্ৰশ্নতে মাত্ৰ দুটা উওৰ উদ্ভাৱন হৈ থাকে। তাৰে এটা হ'ল ভুল আৰু আনটো হ'ল শুদ্ধ। অৰ্থাৎ অন্য ধৰনেৰ ইয়াক যদি উপস্থাপন কৰোঁ তেন্তে ইয়াক পোহৰ আৰু আন্ধাৰৰ জৰিয়তেওঁ বুজি ল'ব পাৰি। এফালে যদি সত্য আছে তাৰ আনফালে আকৌ অসত্যয়ে বিৰাজমান কৰিছে। গতিকে সৃষ্টিৰ অন্তিম ক্ষণলৈকে এই একেটায়ে পক্ৰিয়াত গতি কৰিয়েই থাকিব। আৰু ইয়াক সালসলনি কৰিবলৈ আমাৰ হাতত একো এটায়ে সামৰ্থ্য নাই বুলিয়েই উল্লেখ কৰিব লাগিব।

এতিয়া আহো এই আলোচনাৰ মূল বিষয়-বস্তুলৈ নহয় জানো? প্ৰকৃততে আপুনি যদি সত্য তেন্তে ইয়াৰ প্ৰমাণ দিবলৈ কেতিয়াওঁ নাযাব । কাৰণ সত্যৰ লগত প্ৰমাণ জড়িত কৰি ইয়াক আন্তৰিক দোষবোৰৰ কাৰক হিচাপে বিস্তাৰ কৰি নলব। আমি কেতিয়াবা নিজে সত্য বিষয়-বস্তুৰ লগত জড়িত থকা সত্বেও হয়তো জগতৰ বহু মানুহে ইয়াক গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। তেন্তে এনেধৰণৰ পৰিস্থিতিত সত্যতাৰ সৈতে থিয় দিয়া মানুহে হয়তো কেতিয়াবা বহু মানসিক অশান্তিৰ সন্মুখীন কৰিবলগীয়া হ'ব পাৰে। কিন্তু আপুনি যদি সত্যতাৰ সৈতে থিয় দিবলৈ আগবাঢ়ি আহিছে তেন্তে পৰাপক্ষত বৰ্তমান সময়ত বহু ধৈৰ্য সহকাৰে একেবাৰে মৌনতাৰ সৈতে সকলোবোৰ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে নিজৰ ব্যক্তিগত সামৰ্থ্য সমূহ উদ্ভাৱন কৰি ল'ব লাগিব। ইয়াৰ ফলস্বৰূপে ইমানবোৰ গুণ বিকশিত কৰাৰ ফলত এসময়ত গৈ আপুনি নিজ চকুৰে পৰিলক্ষিত কৰিবলৈ সক্ষম হ'ব যে, প্ৰমাণ সহকাৰে প্ৰকৃত সত্যবোৰ নিজে নিজে প্ৰতিষ্ঠিত হৈ পৰিছে। গতিকে প্ৰকৃততে আপুনি যদি সত্য তেন্তে ইয়াৰ প্ৰমাণ দিবলৈ নাযাব। কাৰণ যেতিয়াই আপুনি সত্যতাৰ প্ৰমাণ দিবলৈ আগবাঢ়ি আহিব তেতিয়াই মানুহে আপোনাক মিছলিয়া বুলি উপলুঙা কৰিবলৈ আৰম্ভ কৰি দিব। সেয়েহে সদায় প্ৰকৃত সত্যক উপলব্ধি কৰিবলৈ হ'লে আমাৰ দুই দৃষ্টিৰ ওপৰতো আন্তৰিক দৃষ্টিশক্তিৰ বহু প্ৰয়োজন হয়।

# আত্মোপলব্ধি আৰু

যোগেদি জীৱনত যিকোনো প্ৰত্যাহ্বান নেওচি আগুৱাই যাব পাৰি।

৪) আনক বুজাৰ সক্ষমতাঃ আত্মসমালোচনা আৰু আত্মোপলব্ধিৰ জৰিয়তে আমি নিজক বুজাৰ লগে লগে আমি আনক বুজাৰ সক্ষমতাও লাভ কৰোঁ। ইয়ে আমাক এক অন্তঃদৃষ্টি প্ৰদান কৰে, যাৰ যোগেদি ব্যক্তিৰ স্বকীয়তাক উমান পাব পাৰি। এনেদৰে আমি এজনে আনজনৰ মনৰ ভাৱ বুজি উঠিব পাৰো।

৫) বাস্তৱ সংযোগ গঢ়ি তোলাঃ আমি নিজৰ প্ৰতি সৎ থাকি উন্নতিৰ বাট মুকলাই লোৱাত আমাক আনৰ সৈতে সৎ আৰু অৰ্থপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাত সহায় কৰে। এনেদৰে আমি প্ৰাপ্ত অভিজ্ঞতাক ঢাল হিচাপে লৈ বাস্তৱৰ সৈতে মুকাবিলা কৰি ইয়াৰে এক সুস্থ সংযোগ স্থাপন কৰিব পাৰি। আত্মসমালোচনা আৰু আত্মোপলব্ধিয়ে আমাক বাস্তৱ পৃথিৱীখনক বুজি উঠাত এক বিশেষ ধৰণে সহায় কৰে।

মুঠতে আত্মোপলব্ধি আৰু আত্মসমালোচনা নিখুঁত হবই লাগিব এনে কথা নহয়, বৰঞ্চ জীৱন বাটত আগুৱাই গৈ থকাৰ সৈতেও শিকি যাব পাৰি। এই ধাৰণাবোৰক আকোৱালি লৈ আমি এনে এক জীৱন যাপন কৰিব পাৰো যিয়ে নেকি নিজৰ প্ৰতি সৎ থকা, কঠিন সময়ত শক্তিশালী সিদ্ধান্ত লোৱা, দয়া প্ৰদৰ্শন আৰু বাস্তৱ সংযোগৰ লগত জড়িত হৈ আছে। এই দাৰ্শনিক ধাৰণাটোৱে আমাৰ জীৱনশৈলী অধিক মনোগ্ৰাহী আৰু সহজ-সৰল কৰি তুলিব পাৰে। ইয়াৰ যোগেদি আমি আমাৰ নিজস্ব সত্বাক উপলব্ধি কৰাৰ উপৰিও আনৰ সমস্যা, দুখ-বেদনাৰো উমান লব পাৰোঁ। সেয়ে আমি জীৱশ্ৰেষ্ঠ মানুহে সদায় আত্মোপলব্ধি আৰু আত্মসমালোচনাৰে জীৱন পথত আগবাঢ়িব লাগে। যাতে আমি ইচ্ছাকৃত ভুলৰ পৰা বাছি থাকি উপযুক্ত পথ চয়ন কৰি আগুৱাই যাব পাৰি। যত বৰ্তি থাকিব অনুশাসন, নিয়মানুৱৰ্তীতা আৰু শান্তি- সম্প্ৰীতিৰে ভৰপূৰ এক জীৱন ব্যৱস্থা আৰু সমাজ ব্যৱস্থা।

# অৰণ্যৰোদন

**মনমোহন দাস/শ্ৰীহাটী**

সমাজৰ মাজত নিৰ্দিষ্ট সময়ত
উৎসৱ পাৰ্বন একো নাথাকিলে
মানুহৰ মন প্ৰাণ গুছি যাব
সৃষ্টিত মাথো অৰণ্যৰোদনলে
প্ৰকাশ পাব মানুহৰ মাজত
আত্মাত লুকাই থকা অসুৰৰ বিকৃত চৰূপ
হ'ব পৰিবৰ্তন উদণ্ড চভাবলে
সেয়ে এনেকুৱা হয় মোৰ অনুভৱ
পূজা উৎসৱ সৃষ্টিত লাগিব থাকিবলৈ
মানুহৰ মন প্ৰাণ শান্ত হবলে
এই মাংগলিক উৎসৱ বোৰ
হয় যদি সৃষ্টিত বিলুপ্ত
সৃষ্টি খন যাব ৰসাতলে
মানৱ সভ্যতা যে আছিল
সৃষ্টিৰ দাপোনত নাথাকিব বিচাৰি পাবলে
সেয়ে সকলো আগবাঢ়ি আহা
ডেকা বন্ধু মিলি জুলি ভাই
সৃষ্টি খন জীয়াই ৰাখিবলে
প্ৰতিজ্ঞা কৰো আমি সবে একেলগে
ধংস নাহে যাতে আমাৰ জীৱনলে।



# ঘৰবোৰ

**মৃগাংক বৰুৱা, গোলাঘাট**

ওখ ওখ কংক্ৰিকটৰ ঘৰবোৰ হ'ল
আজিকালি ঘৰবোৰৰ ভিতৰতে
আৰু এখন ঘৰ হ'ল
ঘৰবোৰৰ মাদকতা যে নাইকিয়া হ'ল
খিৰিকিৰ ৰেলিঙত মুখ গুজি
বৰষুণ চাবলৈ সময় নাইকিয়া হ'ল
সঁচা হৃদয়ৰ মৰমবোৰহে কমি গ'ল
গাড়ীবোৰো হৈ গ'ল লাখটকীয়া
সমন্ধবোৰ পিছে হ'ল নিশকতীয়া
সুখবোৰ কিয়
ফাইভষ্টাৰ, ৰিৰ্জটতহে বিচাৰিব লগা হ'ল
ব্যস্ততাৰ অজুহাতত আপোনেই পৰ হ'ল
ককা, আইতাৰ স্নেহ
সৰু কোঠাটোতে আৱদ্ধ হৈ ৰ'ল
দেওদিয়া পখিলাৰ পিছে পিছে খেদা
শৈশৱবোৰে কৰেনে অগাদেৰা
যেতিয়া একেখন চাদৰ তলত থাকি
নিংসংগতাক আঁকোৱালি লোৱা
মনত পৰেনে কোনোবা জনে কৈ যোৱা--
মানুহৰ মাজতহে বোলে প্ৰকৃত স্বৰ্গ
সেয়ে কোনো কোনো মানুহ মৰিয়ো অমৰ হয়
যেনেকৈ জ্যোতি, বিষ্ণু আজিও
মানুহৰ মাজত জিলিকি ৰ'য়...



## কবিতাৰ শিতান



# আবেলিৰ সুবাস

**পৰী হাজৰিকা,তিনিচুকীয়া**

এটা আবেলিৰ সুবাসে
মোক সাৱটি ধৰিছে,
সাৱটি ধৰিছে স্মৃতিবোৰে।
ৰেলি ভটিয়াই
হালধীয়া ৰঙেৰে
এখোজ দুখোজ খোজেৰে
গতি কৰে
নিসংগতাৰ মাজলৈ,
এটি বিষাদ গধুৰ মনলৈ .....।
আবেলিৰ ৰঙসনা আকাশ
আৰু এজাক ভাল লগা সপোন
আবেলিতে বিলীন হৈ গ'ল।
আবেলিৰ ৰংবোৰ বেঙেনা
বুলীয়া,
আবেলিৰ ৰংবোৰ
আহিনৰ পথাৰৰ দৰেই
সেউজীয়া।
আহা, তুমি আৰু মই
সপোনৰ ডেউকাৰে
আবেলিৰ ৰংবোৰ
সিঁচি যাওঁ।

# প্ৰেমবো এদিন মৃত্যু হয়

**বিপিন টায়ে, ধেমাজি**

উৰি ফুৰা মনটো আজি
সঁজাৰ মাজতেই বন্দী।
নাই কোনো মোৰ আপোন
লগৰী।
কাৰোবাৰ পৰা মৰম অকন খুজি
খুজি
হৈ গৈছিলো মই প্ৰেমৰ
ভিক্ষাৰী।
“জংকী-পানৈ”ৰ কথা শুনিলোঁ
সঁচা প্ৰেমৰ অৰ্থ বিচাৰি;
শুনিলো আধুনিকতাৰ প্ৰেমৰ
কাহিনী।
শেষত গ'ম পালোঁ প্ৰেমবো
এদিন মৃত্যু হয়,
থাকি যায় বিষাদ ভৰা এটি ভগ্ন
হৃদয়।
আজীৱন একেলগে থকাৰ
প্ৰতিজ্ঞ ওতি দিয়া জনো
এদিন অচিনাকি হৈ যায়।
সেই ৰঙা গোলাপ ফুলপাহিও
এদিন শুকাই যায়।
মাথোঁ ৰৈ যায় এটি স্মৃতি হৈ;
এটি সপোন হৈ।

# বহাগৰ উন্মনা

**যমুনা দুলু বৈশ্য ,শুৱালকুছি**

প্ৰতিটো বসন্ততে আহিবা নে তুমি
হৃদয়ত জোনাক সিচি দিবলৈ
বহাগে আনে যে নতুনৰ বতৰা
আকৌ আনে প্ৰীতিৰ একাঁজলি ।
আনিবানে মাধুৰ্যৰে এপাহি কপৌফুল
মই অপেক্ষাৰে ৰ'ম
তোমাৰ হাতে গুজি দিয়া
মোৰ ঘিলা খোপাটিত বহাগৰে মৰম ।
নীল আকাশৰ তৰা দৰে
স্নিগ্ধ হৃদয়ত ভালপোৱাৰ প্ৰতিচ্ছবিৰে
বহাগৰ প্ৰতি টোপাল বৰষুণে
ৰোপন কৰে আশাৰ কঠিয়া ।
বহাগ মানে নহয় এটি মাহ
অসমীয়াৰ প্ৰাণত দি যায়
ৰঙালীৰ এসাগৰ সপোন
তুমি পাৰিবানে সেউজ প্ৰতিশ্ৰুতিৰে দিব সঁচা মৰম ?
বিশ্বাস আছে তুমি পাৰিবা
দেহ- মন পৰিপূৰ্ণতাৰে দিবাহি বুকুত ঢালি
জোনবাইৰ লেখীয়া উজ্জ্বল হাঁহি
বসন্তৰ সুবাসত সুলতলিত হ'ব
মধুময় হৃদয় বহাগৰ উন্মনা ।



# বসন্ত আহিছে বুলি

**মানসী মিশ্ৰ**

ফাগুনে সিঁচি দিয়া
ৰঙবোৰে কাণে কাণে ক'লে
বসন্ত আহিছে ধৰালৈ বুলি
কেইজাকমান বৰষুণৰ পিছৰ
আকাশখনেও আমাক কলে
বসন্ত পদুলিত ৰৈছে বুলি।
এনেকৈয়ে দগমগ ৰঙা হৈ
পলাশ, শিমলুবোৰ ফুলে
হালধীয়া সোণাৰু ফুলেও যে
আমালৈ চাই মিচিকিয়াই হাঁহে।
বসন্ত আহিলেই জানা আমাৰ
হৃদয়ৰ শব্দবোৰে প্ৰাণ পাই উঠে,
এৰা, বসন্ত আহিব বুলিয়েই জানা
মনৰ মানুহবোৰক দিবলৈ যে
কতই তাঁতশালত পৰীৰ সপোন ৰচে,
এৰা, এনেকৈয়ে হেঁপাহৰ বসন্ত আহে।



প্ৰথম পৃষ্ঠাৰ পৰা...

## সাধাৰণ কাৰ্যকৰ্তাক ষ্টাৰ

জৰিয়তে নিৰ্বাচনী কন্টেন্ট প্ৰস্তুতকৰণ আদিও এ আৰ চি ট্ৰায়েংগলৰ আন এটা প্ৰভাৱশালী দিশ হিচাপে শাসক দলটোৱে বিবেচনা কৰিছে। বিজেপিয়ে ভোটাৰৰ ঘৰে ঘৰে যোৱাৰ বাবে প্ৰচাৰৰ উপৰি সংযোগৰ সেতুখন গঢ়িবলৈ চৰকাৰী আঁচনিৰ লাভালাভ মানুহে কিমানখিনি লাভ কৰিছে অথবা কৰা নাই, তাক জনাৰ অচিলাৰে সমীক্ষা চলোৱাৰ কৌশল হাতত লৈছে। ইয়াৰ মূল কথাটোৱে হৈছে ভোটাৰৰ অভাৱ-অভিযোগৰ বতৰা লৈ তেওঁলোকৰ সৈতে আত্মীয়তা গঢ়ি তোলা। আত্মীয়তাৰ বাবে বিজেপিয়ে কেইবাখনো প্ৰত্যক্ষ সুবিধা হস্তান্তৰ (ডিবিটি) আঁচনিৰ আশ্ৰয় লৈছে। প্ৰধানমন্ত্ৰীৰ কিষাণ নিধি, অসমত অৰুণোদয় আদি এনে আঁচনি। ইয়াৰ জৰিয়তে শাসক দলটোৱে লাখ লাখ ভোটাৰৰ সৈতে আত্মীয়তা গঢ়ি তুলিছে। সংযোগ অবিহনে আত্মীয়তা আৰু বাস্তৱৰ সেতুখন গঢ়াটো সম্ভৱপৰ নহয় বুলি মৰ্মে মৰ্মে উপলব্ধি কৰা বিজেপিয়ে সেয়ে এইবেলি নিৰ্বাচনত সৰ্বাধিক গুৰুত্ব দিয়া বিষয়টো হৈছে গণ সংযোগ। গণ সংযোগৰ জৰিয়তে বিজেপিয়ে মানুহৰ মাজত প্ৰতিষ্ঠা লাভ কৰিব বিচৰা বাস্তৱটো হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অপৰিহাৰ্যতা তথা বিকল্পহীনতা। বিজেপিয়ে এইবেলি নিৰ্বাচনত প্ৰথমৰ পৰাই নৰেন্দ্ৰ মোদী অবিহনে ভাৰতৰ প্ৰগতি আধৰুৱা হৈ ৰ'ব বুলি মানুহৰ মাজত ধাৰণা এটা বিয়পাই দিবলৈ প্ৰয়াস কৰি আহিছে। ইয়াৰ লগতে দলটোৱে বিভিন্ন মাধ্যমেৰে মানুহৰ মাজত বাস্তৱৰ এনে এখন ছবি তুলি দিব বিচাৰিছে যে দেশখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকল্প নাই। বিৰোধী শিবিৰত নৰেন্দ্ৰ মোদীৰ সমতুল্যতো নায়েই, তেওঁৰ কাষতো কোনো এজন নেতা নাই। এইদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিকল্পহীন হিচাপে জনসাধাৰণৰ মাজত প্ৰতিষ্ঠা কৰিবলৈ বিজেপিয়ে ধ্বনিও দিছে- তিছৰীবাৰ মোদী চৰকাৰ, অব কী বাৰ ৪০০ পাৰ। অসমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে যে বিজেপিয়ে ৫খন আঁচনিক লৈ ভোটাৰৰ দুৱাৰে দুৱাৰে যাব আৰু তেওঁলোকক অৰুণোদয়কে ধৰি আঁচনিকেইখনৰ সুবিধা লাভ কৰিছে নে নাই, সেইটো জানিবলৈ সমীক্ষা চলাব। অৰ্থাৎ অসমতো বিজেপিয়ে আত্মীয়তা আৰু বাস্তৱৰ ভেটিটো গঢ়িবলৈ গণ সংযোগৰ কৌশল হাতত লৈছে। ভোটাৰৰ সৈতে আত্মীয়তা গঢ়াৰ বাবে অসমত অৰুণোদয়, মাইক্ৰ'ফাইনেঞ্চৰ ঋণৰ পৰা মুক্ত কৰা আঁচনি আদি বিজেপিয়ে চৰকাৰৰ জৰিয়তে গ্ৰহণ কৰিছে।

## অসম প্ৰদেশ কংগ্ৰেছত

বিজেপিত। অনুজ বৰকটকী চৰাইদেউ কংগ্ৰেছৰ সভাপতি আছিল। বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত উপস্থিত হৈ মানস বৰা, অনুজ বৰকটকী আৰু গৌৰৱ সৌমানিয়ে ৰাজ্যিক সভাপতি ভৱেশ কলিতা, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জয়ন্ত মল্লবৰুৱা আৰু পীযুষ হাজৰিকাৰ উপস্থিতিত বিজেপি দলত যোগদান কৰে। বিজেপিত যোগদানৰ পাছতে সদ্য কংগ্ৰেছ ত্যাগী নেতা তথা ন-বিজেপি মানস বৰাই কয় যে, কংগ্ৰেছত একনায়কত্ববাদ চলে। সেয়ে তেওঁ দল ত্যাগ কৰি বিজেপিত যোগদান কৰিছে। অনুজ বৰকটকীয়ে কয়- শৰৎ বৰকটকীৰ দিনৰে পৰা আমাৰ ভেটি আছিল সোণাৰিত। মই নিজেই চৰাইদেউ জিলা কংগ্ৰেছৰ সম্পাদক তথা সভাপতি আছিলো কিন্তু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বৰ প্ৰতি আকৰ্ষিত হৈ বিজেপিলৈ আহিলো। কংগ্ৰেছত এতিয়া গুৰি ধৰোতা নাই। শৰৎ বৰকটকীৰ দিনৰ কংগ্ৰেছ আৰু আজিৰ কংগ্ৰেছৰ তুলনাই নহয়। কংগ্ৰেছত লবী চলি আছে।

দুই পৃষ্ঠাৰ পৰা...

## মুকলি হ'ল বঁটাজয়ী

"নুফুটা জোনাক", ঈপ্সিতা হাজৰিকা আৰু শৰ্মিষ্ঠা চক্ৰৱৰ্তীৰ কণ্ঠেৰে জীপাল হোৱা "কথাবোৰ যদি ফুল হয়" অন্তৰ্ভুক্ত হৈ আছে। আনহাতে, চিনেমাখনক সমৃদ্ধ কৰা আনটো গীত "উদং বুকুত" পৰিৱেশন কৰিছে শৰ্মিষ্ঠা চক্ৰৱৰ্তীয়ে। সপোন সপোন লগা গীতটোৰ কথা আৰু সৃষ্টিৰ আঁৰত আছে শৰ্মিষ্ঠা চক্ৰৱৰ্তী। গীতটোত বাঁহী পৰিৱেশন কৰিছে ভাস্কৰজ্যোতি কলিতাই আৰু তবলা সংগত কৰিছে হৃদয় বাবাই। "এই সাধু" গীতটোৰ কথা হৈছে ৰাজ দ্বীপৰ, আনহাতে, গীতটোত কণ্ঠ নিগৰাইছে নৱনীতা শৰ্মা আৰু অম্বৰ দাসে। একেদৰে "নুফুটা জোনাক" গীতটো লিখিছে মৈত্ৰেয়ী পাটৰে আৰু গীতটোত বাঁহীবাদন কৰিছে ভাস্কৰজ্যোতি কলিতাই। ইফালে, "কথাবোৰ যদি ফুল হয়" গীতটো লিখিছে চন্দনা পাঠকে আৰু "উদং বুকুত" গীতটো লিখিছে ঠেঙাল জ্যোতি স্বপ্নই, আয়ন্মান বৰুৱাই এই গীতটো প্ৰস্তুত কৰি তুলিছে। এই হৃদয়স্পৰ্শী গীতসমূহ এতিয়া ইউটিউব আৰু স্পটিফাইকে ধৰি সকলো আগশাৰীৰ ষ্ট্ৰীমিং নেটৱৰ্কত উপলব্ধ। 'জিয়া'ৰ প্ৰযোজক শৰ্মিষ্ঠা চক্ৰৱৰ্তীয়ে ছবিখনৰ সংগীতক লৈ নিজৰ উৎসাহ ব্যক্ত কৰি কয় যে, "জিয়া"ৰ সংগীত হৈছে প্ৰেমৰ এক শ্বাশ্বত অনুভূতি আৰু আমি ইয়াক দৰ্শকৰ সন্মুখত উপস্থাপন কৰিবলৈ ৰোমাঞ্চিত হৈ আছো। প্ৰতিটো গীতেই আমাৰ দলটোৰ নিষ্ঠা আৰু প্ৰতিভাক প্ৰদৰ্শিত কৰিছে। চিনামেখনৰ সংগীত দৰ্শকৰ মাজত গভীৰভাৱে অনুৰণিত হ'ব আমি আশা কৰিছোঁ। "চলচ্চিত্ৰখনৰ সংগীতৰ বিষয়ে নিজৰ অভিমত ব্যক্ত কৰি পৰিচালক কেনি বসুমতাৰীয়ে অম্বৰ দাসৰ ব্যতিক্ৰমী প্ৰতিভাক উচ্চপ্ৰশংসা কৰি কয় যে- "জিয়া"ৰ সংগীতে মানুহৰ গভীৰ অনুভূতিক ৰেখাপাত কৰি হৃদয় চুই যাবলৈ সক্ষম হ'ব আৰু সামগ্ৰিক চিনেমা উপভোগৰ অভিজ্ঞতা বৃদ্ধি কৰি নতুন মাত্ৰ প্ৰদান কৰিব।" 'জিয়া'ৰ সংগীত সৃষ্টিৰ আঁৰৰ প্ৰেৰণাৰ বিষয়ে নিজৰ অনুভৱ ব্যক্ত কৰি সংগীত প্ৰযোজক অম্বৰ দাসে কয় যে, 'জিয়া'ৰ সংগীত প্ৰযোজক হিচাপে এগৰাকী একক মাতৃৰ জীৱনৰ মৰ্মান্তিক গাঁথা, সমাজৰ কলংক, পাৰিবাৰিক হেঁচা আৰু সন্তানে পিতৃৰ পৰিচয় বিচাৰি হাহাকাৰ কৰা কিছু জীৱন্ত খণ্ডচিত্ৰক লৈ এই সংগীত ৰূপায়ণ কৰিবলৈ যত্ন কৰিছোঁ। এই গানত মহিলাগৰাকীৰ আৱেগিক মুহূৰ্ত আৰু জটিল জীৱনক ধৰি ৰখাৰ লক্ষ্য ৰাখিছিলোঁ। প্ৰতিটো সুৰত স্থিতিস্থাপকতা ৰাখি সৰ্বশেষত এক আশাসঞ্চাৰী মনোমোহা অপ্ৰত্যাশিত টুইষ্ট প্ৰতিফলিত কৰা হৈছে। এটি প্ৰতিভাৱান দলৰ সহযোগিতাত এই কাহিনীটোক জীৱন্ত কৰি তোলাত অৰিহণা যোগাবলৈ পোৱাটো অত্যন্ত আনন্দৰ বিষয় আছিল। আমি আশা কৰো যে দৰ্শকে শব্দৰ ৰেখা আৰু সংগীতৰ গভীৰতাত অনুৰণিত হৈ কাহিনী আৰু প্ৰকৃত অনুভূতি বিচাৰি পাব। অসমীয়া চিনেমাজগতত এক অবিস্মৰণীয় যাত্ৰাৰ প্ৰতিশ্ৰুতিৰে চলচ্চিত্ৰপ্ৰেমীসকলৰ বাবে ২০২৪ৰ ১৭ মে'ত চলচ্চিত্ৰগৃহত 'জিয়া'ই মুক্তি লাভ কৰিব ।

## দৰঙত জিলা আয়ুক্তৰ লোকসভা

মাজত এই বিষয়ক সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, ৪ নং দৰং - ওদালগুৰি লোকসভা সমষ্টিৰ বাবে ইতিমধ্যে নিৰ্বাচনৰ জাননী জাৰি কৰা হৈছে। সেই অনুসৰি দৰং - ওদালগুৰি সংসদীয় সমষ্টিৰ বাবে অহা ৪ এপ্ৰিললৈকে প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। অহা ৫ এপ্ৰিলত মনোনয়ন পত্ৰ সমূহ পৰীক্ষা কৰা হব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে অহা ৮ এপ্ৰিল। সমষ্টিটোৰ বাবে অহা ২৬ এপ্ৰিলত পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। উক্ত সভাত জিলা উন্নয়ন আয়ুক্ত পংকজ কুমাৰ ডেকা, অতিৰিক্ত আয়ুক্ত মানস কুমাৰ শইকীয়া, উপাসনা দত্ত, নিৰ্বাচনী বিষয়া দেবাশীষ বৰঠাকুৰে উপস্থিত থাকে।

তিনি পৃষ্ঠাৰ পৰা...

## ডিব্ৰুগড় সংসদীয়

লুৰীণজ্যোতি গগৈয়ে। ডিব্ৰুগড়ৰ নিৰ্মালীগাওঁ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা কেইবাসহস্ৰাধিক কৰ্মী সমৰ্থকে বিশাল ৰেলীৰে জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈয়ে। মনোনয়ন পত্ৰ প্ৰদানৰ সময়ত গগৈক সংগ প্ৰদান কৰে ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা, এ জে পিৰ সাধাৰণ সম্পাদক জগদীশ ভূঞা, কংগ্ৰেছ দলৰ প্ৰাক্তনমন্ত্ৰী পৃথ্বী মাঝি, এতোৱা মুণ্ডা, প্ৰাক্তন বিধায়ক ৰাজু চাহুকে ধৰি বিৰোধী ঐক্য মঞ্চৰ সকলো শীৰ্ষ নেতা কৰ্মীয়ে। দুয়োগৰাকী প্ৰাৰ্থিয়ে মনোনয়ন দাখিল কৰিবলৈ অহাত লগতে মুখ্যমন্ত্ৰীৰ আগমণত বাট পথত যথেষ্ট যান জঁটৰ সৃষ্টি হয়।

## নাজিৰাৰ গেলেকীত

আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে বিজয়ী ছাত্ৰ ছাত্ৰীসকলক সকলক পুৰস্কাৰ প্ৰদান কৰা হয়। তাৰোপৰি তিনিওখন বন্ধু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিভিন্ন খেল-ধেমালি, প্ৰতিযোগিতাৰ লগতে কবিতা আবৃত্তি, দিহানাম, পঠন লিখনৰ কৰ্মশালাও অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত গেলেকী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অজিত ফুকন, নামদাং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক জ্যোতি ফুকন, ন- পাম বাৰুৱতী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক হিতেশ্বৰ কোঁৱৰ, ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদিকা দীপালী দুৱৰা, আদপুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মতৰাম কোঁৱৰ, পিয়লি ফুকন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী নিৰু বৰগোহাঁই, মৰাণবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নয়নজ্যোতি বৰঠাকুৰ, গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হেমন্ত গগৈকে প্ৰমুখ্য কৰি শিক্ষক শিক্ষয়িত্ৰী সকল, স্থানীয় ৰাইজ, অভিভাৱক অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰী সকলৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন আৰু শেষত বঁটা বিতৰণী আনুষ্ঠানেৰে অনুষ্ঠানৰ সামৰণি পৰে।

## ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ

আৰু আছে ধৰণী গোহাঁই, মুখ্য উপদেষ্টা সদৌ অসম মটক যুৱ- ছাত্ৰ সন্মিলন, সত্যজিৎ বৰুৱা প্ৰাক্তন সাধাৰণ সম্পাদক, সদৌ অসম মটক যুৱ- ছাত্ৰ সন্মিলন, কেন্দ্ৰীয় সমিতি, দিগন্ত দুৱৰা, প্ৰাক্তন উপ সভাপতি সদৌ অসম মটক যুৱ -ছাত্ৰ সন্মিলন, সত্যজিৎ ফুকন প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, মানস জ্যোতি গগৈ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, লক্ষ্মীনাৰায়ন চেতিয়া প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, সমীৰণ নেওঁগ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আৰু ৰূপক দাস তিনিচুকীয়া। উল্লেখযোগ্য যে যোৱা ২৬ মাৰ্চত ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত সোণোৱালক সংগ দিয়াৰ বাবেই ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী উপস্থিতি হৈছিল আৰু সিদিনাখনেই এই নেতাসকলে বিজেপিত যোগদান কৰিছিল।

## বিৰুবাৰীত সাহিত্যাচাৰ্য

দিয়াসকলক কিন্তু মানুহে পিচত পাহৰি যায়।" সভাৰ বিশিষ্ট অতিথি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা সাংবাদিক দীপক শৰ্মাই কয়- "যিজনে সমাজৰ হিতৰ বাবে সাহিত্য-সংস্কৃতিৰ স'তে জড়িত থাকে তেওঁলোক চিৰদিন জীয়াই থাকে। ভৃগুমুনি কাগয়ুংৰ বিশাল ব্যক্তিত্বই সকলোকে সন্মোহিত কৰিছিল । প্ৰতি নিয়ত বৃহত্তৰ ৰাইজৰ হকে কলম কৰিছিল।" সভাত বিশিষ্ট সাংবাদিক- লেখক ড° অৰিন্দম প্ৰিন্স পাংগিং, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া অৰুণ কুমাৰ গাম, মিচিং সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি বিলাস চন্দ্ৰ দলে, ধনেশ্বৰ দাস, কণ্ঠশিল্পী ধৰণী তাৱে সন্মানিত অতিথি হিচাপে অংশ লয়। সভাত কৃষ্ণ কুমাৰ পাটগিৰিয়ে মিচিং, অসমীয়া গীত পৰিৱেশন কৰি অনুষ্ঠানটি উপভোগ্য কৰি তোলে। সভাৰ আদিতে ভৃগুমুনি কাগয়ুংৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন, পুষ্পাৰ্ঘ অৰ্পণ কৰা হয় ।

চাৰি পৃষ্ঠাৰ পৰা...

## নাগালেণ্ডৰ ৰাজ্যপালৰ

প্ৰশিক্ষক হিচাপে আৰু, ১২ গৰাকী যুৱ শিল্পীয়ে সহ প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ আগবঢ়ায়। অসমৰ বিভিন্ন প্ৰান্তৰ সৰ্বমুঠ ১৫৪৫ গৰাকীড় প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিলে। শিল্পগ্ৰামত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে নাগালেণ্ডৰ ৰাজ্যপালৰ তথা এন.ই.জেদ.চি.চি.ৰ অধ্যক্ষ লা.গনেশণ, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া স্বপ্ননীল বৰুৱা, সংগীতৰত্ন দুলাল ৰয় আৰু বিশিষ্ট অভিনেত্ৰী চেতনা দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত ৫ সহস্ৰাধিক ব্যক্তি উপস্থিত থাকে।

ENGLISH NEWS SECTION

# Library Inaugurated at Bhetapara



Guwahati, RB News: A new library was inaugurated at Bhetapara Milan Nagar at the residence of Hemen Kalita, an eminent social worker on March 29. Eminent educationist and prolific writer Paresh Baishya inaugurated the library. The library was established under the sponsorship of 'Darad' ,a social organisation in collaboration with 'Sahayatra'. Inaugurating the library Mr.Baishya stressed upon the increase of reading habit among the new generation. He expressed his full satisfaction at the initiative taken by Darad. Dr. Gautam Ch Das, Principal of Dhamdhama College attended the program at appointed speaker. Dr. Anupam Kr Roy, Rtd IAS and former Chairman of Assam Public Service Commission, Mr Bhaben Bora, Adviser of Pragatishil Mancha, Mr Ganesh Ch Das, President of Greater Bhetapara Senior Citizen Samiti and Mr Nagendra Chandra Das, President of Ghoramara Borsajai Senior Citizen Santha attended the program as Special Guests. Earlier, Md Rahmat Ullah performed the Banti Prajjalan Programme. Mr. Hemen Kalita, Nripen Hazarika, Ms. Parishmita Kalita, Mr Dipak Kalita also took part in the programme.

# Mahiyasi Jaymati's Death Anniversary Observed in Dibrugarh



Guwahati, RB News: On 27th March,Mahiyasi Jaymati's death anniversary was observed in a daylong programme by Dibrugarh Nagarik Mancha,Tai Education & Cultural Centre, Ahom Sabha(sadar & Regional). The programme started with floral tribute and lighting of lamp in front of the statue of Jaymati. A prayer in Tai language was also offered by the organisers. After lighting the lamp ,the president of.the Nagarik Mancha, Dr.Bharati Dutta, retired professor of kanoi college, in her brief speech explained the significance of the day. She said that jaymati extreme sacrifice for the welfare of the country will be remembered for the years to come. She'll always remain as a source of inspiration for the people of Assam. The programme was anchored by the secretary of Nagarik Mancha, Durlabh Gogoi. The function was attended by the president of Tai Shiksha & Cultural Centre ,Hemkanta Dehingia,Shasanka Neog,President, All Assam Ahom Sabha and many other dignataries. In the evening.a cultural.programme was.organised at Tai Centre which was conducted by gandheswar Chamua, Rubi Handique Gogoi, Bhuban Gogoi, Annesha Phukan and Aparupa Barbara. Children from Tai Centre, Nritangana Kala Kendra etc. took part in the cultural programmes.

# LSG name Matt Henry as David Willey's replacement




RB News: Matt Henry, the New Zealand fast bowler, has signed with the Lucknow Super Giants for the 17th edition of the Indian Premier League (IPL) 2024. Henry replaced England all-rounder David Willey, who has withdrawn from the tournament due to personal reasons. The 32-year-old Kiwi joined the Lucknow franchise at his base price of INR 1.25 crores.

# 21-year-old Mayank Yadav bowls fastest delivery of IPL 2024



RB News: Lucknow Super Giants (LSG) pacer Mayank Yadav on Saturday bowled the fastest delivery of IPL 2024 against Punjab Kings (PBKS). The 21-year-old clocked 155.8 kmph on the first delivery of his second over on his IPL debut. The previous fastest delivery (153 kmph) in the tournament was bowled by Rajasthan Royals (RR) pacer Nandre Burger against Delhi Capitals (DC).

# Actor Daniel Balaji passes away at 48



RB News: The Tamil film industry mourns the sudden loss of actor Daniel Balaji, who passed away at the age of 48 due to a heart attack.The renowned actor breathed his last at a private hospital in Chennai last night after being admitted for chest pain. His most notable films were 'Vettaiyadu Vilayadu', 'Vada Chennai', and'Polladhavan'.

# India, Ukraine Agree To Restore Ties To Pre-War Levels



RB News: EAM S Jaishankar and Ukrainian Foreign Minister Dmytro Kuleba said they'd agreed to restore trade and cooperation to levels before Russia-Ukraine war, as Kyiv sought to build support for its peace plan. "When you decide to engage with Russia, please know the red line for Ukraine is financing Russia's war machine," Kuleba, who was on a visit to India, said.

# Oscar winner Louis Gossett Jr. dies at 87

RB News: Hollywood mourns as Louis Gossett Jr., acclaimed for his roles in 'Roots' and 'An Officer and a Gentleman', passes away at 87. The Emmy and Oscar winner died in a Santa Monica rehab center. Known for breaking racial barriers, his remarkable career spanned over six decades, leaving a lasting legacy in film and TV.

# প্ৰশিক্ষক ইগ'ৰ ষ্টিমাচৰে আলোচনা কৰিবলৈ পাঁচজনীয়া বিশেষ কমিটী গঠন সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ

ৰঙিলী বাৰ্ত্তাসেৱা- সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে ইখনৰ পিছত সিখন মেচত ব্যৰ্থতা সন্দৰ্ভত ভাৰতীয় ফুটবল দলটোৰ প্ৰশিক্ষক ইগ'ৰ ষ্টিমাচৰে আলোচনা কৰিবলৈ আই এম বিজয়নৰ নেতৃত্বত পাঁচজনীয়া বিশেষ কমিটী গঠন কৰিছে। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰালয় আৰু ভাৰতীয় ক্ৰীড়া কৰ্তৃপক্ষৰ সমালোচনাৰ সন্মুখীন হৈ শুকুৰবাৰে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতি কল্যাণ চৌবেই পাঁচজনীয়া বিশেষ কমিটীখন গঠন কৰে। পাঁচজনীয়া কমিটীখনে ভাৰতীয় দলটোৰ প্ৰশিক্ষকৰ বিফলতা সন্দৰ্ভত ষ্টিমাচৰে কথা-বতৰা পাতিব। ফিফা ৰেংকিঙত ১৫৮ নম্বৰ স্থানত থকা আফগানিস্তানৰ হাতত ২-১গ'লত পৰাস্ত হোৱাৰ পিছত গুৱাহাটীত ইগ'ৰ ষ্টিমাচৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপন হয়। বিজয়নৰ নেতৃত্বত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ কাৰিকৰী সমিতিৰ সদস্যসকলে কুৱেইটক পৰাস্ত কৰি বিশ্বকাপৰ কোৱালিফায়িং ৰাউণ্ডৰ তৃতীয় পৰ্যায়লৈ আগবাঢ়ি যাব বুলি ভাৰতীয় ফুটবল দলটোৰ প্ৰশিক্ষকগৰাকীয়ে কৰা মন্তব্য মানি ল'বলৈ অস্বীকাৰ কৰে। তেওঁলোকে প্ৰশিক্ষকগৰাকীক তৎকালীনভাৱে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ পৰামৰ্শ দিয়ে। সমস্যাটো হ'ল ২০২৬ চনৰ জুন মাহলৈকে প্ৰশিক্ষকগৰাকীৰ সৈতে ফেডাৰেচনৰ চুক্তি আছে। যদি ষ্টিমাচে দলটোক বিশ্বকাপৰ যোগ্যতা অৰ্জনৰ তৃতীয় পৰ্যায়লৈ




লৈ যাব পাৰে তেন্তে দুবছৰৰ চুক্তি বৃদ্ধি সম্ভৱ। যদি তেওঁক এতিয়াই বৰ্খাস্ত কৰা হয়, তেন্তে ফেডাৰেচনে চুক্তি অনুসৰি সম্পূৰ্ণ দৰমহা অৰ্থাৎ ক্ষতিপূৰণ হিচাপে ৬ কোটি টকা দিব লাগিব। যিটো ফেডাৰেচনৰ বিষয়াসকলৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। এনে পৰিস্থিতিত শুকুৰবাৰে সভাপতিগৰাকীয়ে ফেডাৰেচনৰ বিষয়াসকলৰ সৈতে ভাৰ্চুৱেল বৈঠকত মিলিত হয়। এই বৈঠকত ফেডাৰেচনৰ সভাপতিয়ে পাঁচজনীয়া এখন বিশেষ কমিটী গঠন কৰে। বিজয়নৰ উপৰি এই কমিটীত আছে ফেডাৰেচনৰ উপ-সভাপতি এ এন হেৰিছ, কাৰ্যকৰী সমিতি আৰু বিত্ত সমিতিৰ সদস্য মেনলা আথেনপা, আন এজন কৰ্মসমিতিৰ সদস্য অনিল কুমাৰ প্ৰভাকৰণ আৰু প্ৰাক্তন ফুটবলাৰ ক্লাইমেক্স লৰেন্স। কেইদিনমানৰ পিছত ভাৰতীয় দলটোৰ প্ৰশিক্ষকৰ সৈতে আলোচনাত মিলিত হ'ব এই পাঁচজনীয়া দলটোৱে।

# পঞ্জাব কিংছক২১ ৰানত পৰাস্ত কৰে লক্ষ্ণৌ ছুপাৰ জায়েন্টছে




ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলত পঞ্জাবক হৰুৱাই আইপিএলত প্ৰথম জয় লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ। লক্ষ্ণৌত অনুষ্ঠিত মেচখনত ঘৰুৱা দলটোৱে পঞ্জাব কিংছক ২১ ৰানত পৰাস্ত কৰে। মেচখনত লক্ষ্ণৌৱে জয়ৰ বাবে বান্ধি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অধিনায়ক শিখৰ ধাৱনৰ দৰ্শনীয় ৭০ আৰু জ'নী বেয়াৰষ্ট'ৰ ৪২ ৰানৰ সহায়ত পঞ্জাবে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৭৮ ৰানহে কৰে। ধাৱন আৰু বেয়াৰষ্ট'ৰ বাহিৰে বাকীসকল বেটাৰ ব্যৰ্থ হয়। ধাৱন আৰু বেয়াৰষ্ট'ৱে প্ৰথম উইকেটৰ যুটিত ১০২ ৰান কৰি পঞ্জাবক প্ৰত্যয়জনক আৰম্ভণি দিছিল যদিও বাকীসকল বেটাৰে বিশেষ অৰিহণা আগবঢ়াব নোৱাৰাত মেচখনত পঞ্জাবে পৰাজয় স্বীকাৰ কৰিবলগীয়া হয়। লক্ষ্ণৌৰ হৈ মায়ংক যাদৱে তিনিটা আৰু মহছিন খানে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অ'পেনাৰ কুইন্টন ডি ক'কৰ অৰ্ধশতক তথা নিকোলাছ পুৰান আৰু ক্ৰুনাল পাণ্ডিয়াৰ বিস্ফোৰক বেটিঙৰ সহায়ত লক্ষ্ণৌ ছুপাৰ জায়েন্টছে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ৭৮ ৰানতে লক্ষ্ণৌৱে তিনিটা উইকেট হেৰুৱায়। লোকেশ ৰাহুল ১৫ৰান, দেৱদূত পাডিকাল ৯ ৰান আৰু মাৰ্কাছ ষ্ট'ইনিছ ১৯ ৰান কৰি নিজৰ উইকেট হেৰুৱায়। অৱশ্যে ৫৪ ৰানৰ দৰ্শনীয় ইনিংছ খেলা ডি ক'কে নিকোলাছ পুৰানৰ সৈতে চতুৰ্থ উইকেটত ৪৭ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। পুৰানে ২১টা বলত তিনিটা ৪ আৰু সমসংখ্যক ছয়েৰে ৪২ ৰান কৰি বিদায় লয়। ইফালে আয়ুস বাড'নিয়ে ৮ ৰান কৰি বিদায় লয় যদিও ক্ৰুনাল পাণ্ডিয়াই বিস্ফোৰক ইনিংছ খেলি দলক শক্তিশালী স্থিতিত উপনীত কৰায়। ক্ৰুনালে ২২টা বলত চাৰিটা চাৰি আৰু দুটা ছয়েৰে ৪৩ ৰান কৰি অপৰাজিত হৈ থাকে। পঞ্জাবৰ হৈ ছেম কৰনে সৰ্বাধিক তিনিটা উইকেট লাভ কৰাৰ লগতে অৰ্শদীপ সিঙে দুটা, কাগিছো ৰাবাডা আৰু ৰাহুল চহৰ উভয়ে এটাকৈ উইকেট লাভ কৰে।

# দিল্লী কেপিটেলছৰ বিৰুদ্ধে ৰিয়ান পৰাগৰ বিস্ফোৰক ইনিংছ



ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লী কেপিটেলছৰ বিৰুদ্ধে ৰিয়ান পৰাগৰ বিস্ফোৰক ইনিংছ। ৩৪টা বলতে অৰ্ধশতক অৰ্জন ৰিয়ান পৰাগ। দিল্লী কেপিটেলছৰ ৰাজস্থান ৰয়েছৰ দ্বিতীয়খন মেচত ৪৫টা বলত ৮৪ ৰাণৰ বিস্ফোৰক ইনিংছ ৰিয়ান পৰাগৰ। ৰিয়ানৰ পৰাগৰ দুৰ্দান্ত বেটিঙৰ ফলতে ৰাজস্থান ৰয়েলছে ১৮৫ ৰাণ সংগ্ৰহ কৰে । প্ৰথমে বেটিং কৰি ৩৬ ৰাণতে যশস্বী জয়ছোৱাল, জ'ছ বাটলাৰ আৰু সঞ্জু ছেমচনৰ উইকেট হেৰুৱাইছিল ৰাজস্থানে। ৪ নম্বৰত বেটিং কৰিব আহি ৰিয়ান পৰাগৰে দুৰ্দান্ত বেটিং আৰম্ভ কৰে। ইনিংছৰ অন্তিম অভাৰত আনৰিক নকিয়াৰ ব'লত ৩টা ফ'ৰ আৰু ২টা ছিক্স কোবাই ৰিয়ানে।

# এআইএফএফৰ বিষয়া দীপক শৰ্মাক গ্ৰেপ্তাৰ আৰক্ষীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- দুগৰাকী মহিলা ফুটবলাৰক শাৰীৰিকভাৱে নিৰ্যাতন চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ কাৰ্যবাহী কমিটীৰ সদস্য দীপক শৰ্মা। গোৱা আৰক্ষীয়ে দীপক শৰ্মাক গ্ৰেপ্তাৰ কৰে। ফেডাৰেচনৰ বিষয়াগৰাকীক নিশাটো আৰক্ষীৰ জিম্মাত ৰাখি আদালতত হাজিৰ কৰোৱা হ'ব বুলি মাপুছা আৰক্ষী থানাৰ পৰিদৰ্শক সীতাকান্ত নাইকে এই কথা সদৰী কৰে। হিমাচল প্ৰদেশৰ ক্লাব খাদ এফ চিৰ দুগৰাকী মহিলা ফুটবলাৰে ফেডাৰেচনৰ কৰ্মী সমিতিৰ সদস্য দীপক শৰ্মাৰ বিৰুদ্ধে শাৰীৰিক



নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰিছিল। গোৱাত অনুষ্ঠিত ইণ্ডিয়ান ব'মেনছ লীগৰ সময়ত দীপক শৰ্মাই হোটেলৰ কোঠাত তেওঁলোকক নিৰ্যাতন চলাইছিল। শুকুৰবাৰে মহিলা ফুটবলাৰ দুগৰাকীয়ে ফেডাৰেচনত এই সন্দৰ্ভত এজাহাৰ দাখিল কৰিছিল। ৰন্ধা-বঢ়া কৰা দেখি ফেডাৰেচনৰ মুৰব্বীজনৰ খং উঠিছিল বুলি তেওঁলোকে ব্যক্ত কৰে। ইয়াৰ পিছতে ফুটবলাৰ দুগৰাকীক নিগ্ৰহ আৰম্ভ কৰে। দীপক শৰ্মা হিমাচল প্ৰদেশ ফুটবল সন্থাৰ সাধাৰণ সম্পাদক আৰু ফেডাৰেচনৰ প্ৰতিযোগিতা সমিতিৰ উপ-অধ্যক্ষও। এই ঘটনাৰ সময়ত দীপক শৰ্মাই মদ্যপান কৰা বুলিও অভিযোগ উত্থাপন কৰে ফুটবলাৰ দুগৰাকীয়ে। হিমাচল প্ৰদেশৰ পৰা গোৱালৈ আহি থাকোঁতে খেলুৱৈৰ সন্মুখত মদ্যপান কৰিছিল দীপক শৰ্মাই।

# ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে কলকাতা নাইট ৰাইডাৰ্ছৰ জয়




ৰঙিলী বাৰ্ত্তাসেৱা- বিৰাট কোহলিৰ দৰ্শনীয় অপৰাজিত ৮৩ ৰান সত্ত্বেও পৰাস্ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু। আইপিএলৰ মেচখনত কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত ৭ উইকেটত পৰাস্ত হয় ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু। আৰচিবিয়ে জয়ৰ বাবে বান্ধি দিয়া ১৮৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি ভেংকটেশ আয়াৰে ৩০ বলত ৫০ ৰান, সুনীল নাৰিনে ২২ বলত ৪৭ৰান, ফিল ছল্টে ৩০ ৰান আৰু অধিনায়ক শ্ৰেয়াছ আয়াৰৰ অপৰাজিত ৩৯ ৰানৰ সহায়ত কলকাতাই ১৬.৫ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অ'পেনাৰ বিৰাট কোহলিৰ দৰ্শনীয় অপৰাজিত ৮৩ আৰু কেমেৰন গ্ৰীনৰ ৩৩ ৰানৰ সহায়ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অ'ভাৰত ছটা উইকেট হেৰুৱাই ১৮২ ৰান সংগ্ৰহ কৰে। মেক্সৱেলে ২৮ আৰু দীনেশ কাৰ্তিকে ৮টা বলত ৩টা ছয়েৰে ২০ ৰানৰ অৰিহণা আগবঢ়ায়। ডু প্লেচিছে ৮, পাটিদাৰ আৰু অনুজে ৩ ৰান কৰি বিদায় লয়।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286